# স্মৃতিৰ সুবাস

বাপুজী মহাবিদ্যালয়, সৰুক্ষেত্ৰীৰ অসমীয়া বিভাগৰ
প্ৰাক্তন ছাত্ৰ সম্মিলনীৰ আলোচনী



১ম বছৰ ১ম সংখ্যা
অক্টোবৰ ২০২৬

# অশ্ৰু-অঞ্জলি



অধ্যাপক প্ৰয়াত মথুৰামোহন গোস্বামী



অধ্যাপক প্ৰয়াত অঞ্জন কুমাৰ



অধ্যাপক প্ৰয়াত পৰেশ ভূঞা



# হে দেৱদূত, তোমাক প্ৰণাম !

## জুবিন গাৰ্গ



**“Smritir Suwas”** an online magazine of Alumni Association of the Department of Assamese.

Published by: **Alumni Association, Department of Assamese**
**VOL- 1, Issue- 1**
Editor: **Dr. Bipul Deka**

## সম্পাদনা সমিতি

উপদেষ্টাঃ ড০ খগেন দাস
অধ্যক্ষ, বাপুজী মহাবিদ্যালয়, সৰুক্ষেত্ৰী

সভাপতিঃ ধনজিৎ ডেকা

সম্পাদকঃ ড০ বিপুল ডেকা

সদস্যঃ সঞ্জয় বৰ্মন
দুলুমনি বৰ্মন
গৌতম ডেকা

প্ৰথম প্ৰকাশঃ অক্টোবৰ ২০২৬

# অধ্যক্ষৰ একলম




বাপুজী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীয়ে প্ৰকাশ কৰা অনলাইন আলোচনী 'স্মৃতিৰ সুবাসে' এক নতুন ইতিহাস ৰচিলে। মহাবিদ্যালয়ৰ ইতিহাসত এইখনেই প্ৰথম অনলাইন আলোচনী। আলেচনীখনত কেবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকে মহাবিদ্যালয়ত থকা দিনৰ স্মৃতি ৰোমন্থন কৰিছে। ইয়াৰ ফলশ্ৰুতিত মহাবিদ্যালয়খনৰ লগত তেওঁলোকৰ আত্মিক সম্পৰ্ক অধিক দৃঢ় হৈছে। মহাবিদ্যালয়খনৰ লগত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সম্পৰ্ক যিমানেই সুদৃঢ় হ'ব, মহাবিদ্যালয়খনে সিমানেই প্ৰগতিৰ পথত আগবাঢ়ি যাবলৈ সক্ষম হ'ব। আশাকৰোঁ অসমীয়া বিভাগৰ এই প্ৰচেষ্টা আন বিভাগসমূহেও গ্ৰহণ কৰিব। শেষত অসমীয়া বিভাগৰ সমূহ অধ্যাপক, অধ্যাপিকা, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ শলাগ লৈছোঁ আৰু আলেচনীখনৰ দীৰ্ঘায়ু কামনা কৰিছোঁ।

ড০ খগেন দাস ঃ অধ্যক্ষ, বাপুজী মহাবিদ্যালয়, সৰুক্ষেত্ৰী

****************************************************************************************

# সম্পাদকীয়

অসমীয়া বিভাগ বাপুজী মহাবিদ্যালয়ৰ এটা ঐতিহ্যপূৰ্ণ বিভাগ। এই বিভাগটোৰ জৰিয়তে বাপুজী মহাবিদ্যালয়ৰ পাঠদানৰ সূচনা কৰা হৈছিল।

বিভাগটোৰ পৰা উত্তীৰ্ণ হৈ অলেখ ছাত্ৰ-ছাত্ৰীয়ে জীৱনত প্ৰতিষ্ঠা লাভ কৰিছে। আনপিনে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ বিভাগটোৰ প্ৰতি আছে গভীৰ আকুলতা। এই আকুলতাৰ ফলশ্ৰুতিতেই আজি এই আলোচনীখনে জন্ম লাভ কৰিলে। বাপুজী মহাবিদ্যালয়ৰ প্ৰগতিত অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে পাৰ্যমানে সহযোগ কৰি যাব। বাপুজী মহাবিদ্যালয়ে অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে জিলিকি উঠক, এয়ে আমাৰ কাম্য ।

## জয়তু বাপুজী মহাবিদ্যালয়, সৰুক্ষেত্ৰী



# অনুভৱ

সংগীতা বৰ্মন ২০১৯-২১বৰ্ষ(অসমীয়া বিভাগ)

মাৰ কোলাৰ পৰা স্কুলীয়া দিনৰ সহিত অলেখ কথা-বাৰ্তা আৰু স্মৃতিৰ মাজত প্ৰায় এখন মহাবিদ্যালয়ৰ নাম শুনি মোৰ মন-মগজুত জিলিকি উঠিছিল, সেয়া আছিল 'বাপুজী মহাবিদ্যালয়'। সৰুৰে পৰা ঘৰৰ দাদা-বাইদেউসকলৰ চাইকেলৰ ঘণ্টাৰ লগত ভাহি যোৱা বাপুজী কলেজৰ কথা শুনি শুনি মনৰ গোহালিত এটা সপোন পোহি ৰাখিছিলোঁ–এদিন ময়ো এই অনুষ্ঠানটোৰ প্ৰাংগনত এজনী ছাত্ৰী হিচাপে খোজ পেলোৱাৰ হাবিয়াস। শৈশৱৰ সেই সুকোমল সপোনটোক বুকুত সাৱটি যেতিয়া অৱশেষত বাপুজী মহাবিদ্যালয়ৰ অসমীয়া বিভাগত স্নাতক শ্ৰেণীত ভৰি দিলোঁ, যেন মোৰ বহুগুণে সঁজাল ধৰা অনুভৱবোৰে এক সুকীয়া দিশ বিচাৰি পালে।

প্ৰথমটো দিনৰ পৰাই মহাবিদ্যালয়খনৰ মনোৰম শৈক্ষিক পৰিৱেশ আৰু অসমীয়া বিভাগৰ আত্মিক আৱহে মোক এক অনন্য মায়াজালত বান্ধি পেলালে। আমাৰ শ্ৰদ্ধেয় গুৰুসকলৰ স্নেহামৃত আৰু অপাৰ জ্ঞানে আমাৰ শিক্ষা-যাত্ৰাক এক পবিত্ৰ ৰূপ দিছিল। প্ৰাচীন বৰগীত, নামঘোষাৰ আধ্যাত্মিক সুৰৰ পৰা আৰম্ভ কৰি আধুনিক সাহিত্যৰ গভীৰ তত্ত্ব কিংবা ভাষাবিজ্ঞানৰ জটিল অংকবোৰো তেওঁলোকৰ সাৱলীল ধাৰাবাহিকতাত মধুৰ হৈ পৰিছিল।

মাথোঁ পাঠ্যপুথিৰ পাততেই আৱদ্ধ নাছিল এই সোণালী যাত্ৰা। মহাবিদ্যালয়ৰ চিৰসেউজ চৌহদ, শিলিখা ডালৰ শীতল ছাঁ, আৰু বাৰাণ্ডাত লগৰীয়াসকলৰ সৈতে কৰা সুবাসিত আড্ডাবোৰে আমাৰ
মানসিক ক্লান্তি হৰণ কৰিছিল। ক্লাছৰ ফাঁকত অনুষ্ঠিত হোৱা সাহিত্য-সংস্কৃতিৰ কথা-বাৰ্তা আৰু নানাধৰণৰ হাঁহি-ধেমালিয়ে আমাৰ মাজত এক চিৰন্তন আত্মীয়তা গঢ়ি তুলিলে।

শৈশৱৰ পৰাই থিয়াই থকা অনুষ্ঠানখন যেতিয়া মোৰ অস্তিত্বৰ এটা ডাঙৰ অংশ হৈ পৰিল, সেয়া আছিল মোৰ জীৱনৰ বাবে আটাইতকৈ গৌৰৱময় ক্ষণ। বাপুজী মহাবিদ্যালয়ৰ এই অসমীয়া বিভাগে মোক কেৱল এটা স্নাতক ডিগ্ৰীয়েই দিয়া নাই, বৰঞ্চ নিজৰ ভাষা-সংস্কৃতিৰ প্ৰতি এক অমলিন শ্ৰদ্ধা আৰু জীৱনক নতুনকৈ চোৱাৰ এক পৰিপক্ক দৃষ্টি দিলে। মহাবিদ্যালয়ৰ ডিজিটেল ৱেব মেগাজিনৰ সুবাসিত পাতত থোৱা মোৰ এই ক্ষুদ্ৰ অনুভৱৰ টুকুৰাবোৰ আৰু বাপুজী মহাবিদ্যালয়ৰ প্ৰতিটো স্মৃতি মোৰ হৃদয়ৰ কোণত সোণালী আখৰেৰে চিৰদিনলৈ অমৰ হৈ ৰ'ব।

জয়তু বাপুজী মহাবিদ্যালয়



# বাপুজী মহাবিদ্যালয়ৰ সৈতে মোৰ স্মৃতি❤

**কুলদীপ ডেকা**
**(2015 To 2018)**

উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা সফলতাৰে উত্তীৰ্ণ হৈ ,উচ্চশিক্ষা গ্ৰহণ কৰাৰ মনত প্ৰবাল হাবিয়াস লৈ, এজাক তৰুণ-তৰুণীৰ সৈতে ন ৰূপত,ন সাজত,ন ঠিকনাত আমাৰ সকলোৰে আপোন বাপুজী মহাবিদ্যালয়ৰ বাকৰিত উপস্থিত হৈছিলোঁ।সেই প্ৰথম দিনাখনেই মনত জাগি উঠিছিল সীমাহীন কৌতুহল,জাগি উঠিছিল মনত উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ আপোন মহাবিদ্যালয় খনক আঁকোৱালি লোৱাৰ ব্যাকুলতা। বাপুজী মহাবিদ্যালয়ৰ পৰিৱেশ অতি সুন্দৰ, শান্তিপূৰ্ণ আৰু মনোৰম। মহাবিদ্যালয়খনৰ সেউজীয়া প্ৰাকৃতিক পৰিৱেশে মনত এক আনন্দদায়ক অনুভূতিৰ সৃষ্টি কৰিছিল। ইয়াৰ সুন্দৰ পৰিৱেশ আৰু বন্ধুত্বপূৰ্ণ পৰিৱেশে শিক্ষাৰ্থীসকলৰ মনত এক বিশেষ স্থান দখল কৰে।আপোন মহাবিদ্যালয় খনৰ প্ৰতি জন্মা ব্যাকুলতা,উৎকুসুকতা আৰু কৌতুহলৰ সংমিশ্ৰণতেই গঢ়ি উঠিছিল মহাবিদ্যালয়খনৰ পৰিয়ালবৰ্গৰ সৈতে এক মধুৰ আৰু চিৰযুগমীয়া সম্পৰ্ক।মই অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰতি থকা গভীৰ আগ্ৰহ আৰু অনুৰাগৰ বাবেই অসমীয়া বিভাগত নামভৰ্তি কৰিছিলোঁ। এই বিভাগত অধ্যয়ন কৰি মই ভাষা, সাহিত্য, সংস্কৃতি আৰু ঐতিহ্যৰ বিষয়ে বহু নতুন জ্ঞান আহৰণ কৰিবলৈ সক্ষম হৈছিলোঁ। ইয়াৰ উপৰি, এই শিক্ষাই মোৰ চিন্তাধাৰা, ব্যক্তিত্ব আৰু ভাষিক দক্ষতাৰ বিকাশ ঘটোৱাৰ লগতে নিজৰ ভাষা আৰু সংস্কৃতিৰ প্ৰতি থকা শ্ৰদ্ধা আৰু দায়বদ্ধতা অধিক গভীৰ কৰি তুলিছিল।মহাবিদ্যালয় খনৰ পৰিয়াল বৰ্গ বিশেষকৈ অসমীয়া বিভাগৰ সন্মানীয় অধ্যাপক-অধ্যাপিকা,মোৰ সহপাঠী লগতে বিভাগৰ সকলো শিক্ষাৰ্থী আৰু বিভাগটোৰ আন কৰ্মচাৰীবৃন্দ মোৰ জীৱন নামৰ পুথি খনৰ এক সদা বিশেষ অধ্যায়।শৈক্ষিক যাত্ৰাৰ লগতে সামাজিক-ৰাজনৈতিক সচেতনতা,বন্ধু- বান্ধৱী সকলৰ লগত আড্ডাৰ মাদকতা,জ্যেষ্ঠ জনৰ আশীৰ্বাদৰ লগতে দিহা-পৰামৰ্শ আৰু কণিষ্ঠ জনক কৰিব লগা মৰমৰ সুব্যৱহাৰ আদি সকলোফালৰে পৰা দক্ষ কৰি তুলিছে একমাত্ৰ আপোন মহাবিদ্যালয় খনে,যাৰ বাবে সদায়ে চিৰ- ঋণী হৈ ৰ'ম। ২০১৫-১৮ তিনিদিন যেন অনুভৱ হোৱা তিনিটা বৰ্ষ কটাইছোঁ মহাবিদ্যালয় খনৰ উমাল বুকুত,যি উমৰ পৰশে সৃষ্টি কৰিছিল-জীৱন যুজঁত যুঁজিবলৈ এজন অক্লান্ত,নিৰ্ভীক আৰু কেতিয়াও হাৰ মানিব নোখোজা বিধৰ এজন যোদ্ধাৰ।

জয়তু বাপুজী মহাবিদ্যালয়❤

জয়তু আসমীয়া বিভাগ ❤



**অলিস্মিতা ডেকা**
**২০১৬ - ২০১৯ বৰ্ষ**

ব্লেকব'ৰ্ডৰ বগা চকেৰে দেখুৱাই দিয়া বাট,
৯ নম্বৰ ৰুমটোত আজিও বাজি থকা গুৰুৰ মাত;
অবুজ মনৰ এন্ধাৰ ডাৱৰ উৰুৱাই নি
জ্বলাই দিলেহি য'ত জীৱনৰ পুৱতি প্ৰভাত।
মানুহে যে কয়, স্কুলীয়া দিনকেইটাৰ স্মৃতিয়ে মানুহৰ মন-মগজু চিৰদিন ভৰাই ৰাখে। কিন্তু মই একেবাৰে ক'ব পাৰিম, মোৰ মন-মগজু মহাবিদ্যালয়ৰ সেই তিনিটা বছৰেহে ভৰাই ৰাখিছে। আজিও যদি অতীতলৈ উভতি যোৱাৰ সুযোগ পাওঁ, আকৌ সেই দিনবোৰলৈহে উভতি যোৱাৰ হাবিয়াস মনত আছে।
ভবা নাছিলোঁ যে কেৱল চাৰিবেৰৰ এটা সাধাৰণ কোঠালীয়ে মোৰ মনৰ বিশাল আকাশখনক এনেদৰে চিৰদিনলৈ আৱৰি ৰাখিব। বাপুজী মহাবিদ্যালয়ৰ সেই ৯ নম্বৰ ৰুমটো—য'ত এদিন বহু শংকা, সংকোচ আৰু এটা সৰু সপোন বুকুত বান্ধি প্ৰথম খোজ পেলাইছিলোঁ। কিতাপৰ পাতবোৰ লুটিয়াই ছাৰ-বাইদেউসকলৰ স্নেহভৰা মুখলৈ চাই থকা দিনবোৰত কেতিয়া যে মনৰ মাজত ভৱিষ্যতৰ এটি আশাই পোখা মেলিলে, নিজেই গম নাপালোঁ। আমাৰ অপৰিপক্ক ভাৱনাবোৰক বুজি পাই, প্ৰতিটো ভুল মৰমেৰে শুধৰাই দি, বিশ্বাস আৰু অনুশাসনেৰে সেই সপোনৰ পুলিটোক বটবৃক্ষ কৰাৰ যত্নত গুৰুসকলৰ যি অৱদান আছিল, তাৰ তুলনা ক'তো নাই।
জীৱনত যিমানখিনি কথা শিকিছোঁ, তাৰ সৰহভাগেই আছিল পাঠ্যপুথিৰ টান শব্দবোৰৰ সিপাৰে থকা জীৱনৰ আচল পাঠ—সমাজত নিজকে পৰিচিত কৰোৱাৰ যাত্ৰা। এইখন মহাবিদ্যালয়ৰ বতাহতে আছিল ব্যক্তিত্ব গঢ়াৰ মন্ত্ৰ। মানুহৰ প্ৰতি সন্মান, সততা, আৰু জটিল সময়তো মূৰ তুলি থিয় হোৱাৰ শিক্ষা মই এইখন কলেজৰ প্ৰাংগণতেই পাইছিলোঁ। সেই ক্লাছৰুমৰ বেঞ্চৰ চুকত বহি দেখা সপোনবোৰ, বন্ধু-বান্ধৱীৰ সৈতে হোৱা অৰ্থহীন তৰ্ক-বিতৰ্ক, পৰীক্ষাৰ আগমুহূৰ্তৰ উৎকণ্ঠা আৰু বাৰাণ্ডাত কটোৱা সেই উমাল মুহূৰ্তবোৰ আজিও মনৰ দাপোনত একেদৰেই সজীৱ হৈ আছে। সেই সময়ছোৱা আছিল এনে এক আশ্ৰয়, য'ত কোনো কৃত্ৰিমতা নাছিল, আছিল কেৱল নিঃস্বাৰ্থ বন্ধুত্ব আৰু মাথোঁ সন্মুখলৈ আগবাঢ়ি যোৱাৰ এক নিৰৱ জেদ।
আজি যেতিয়া কলেজৰ সীমা পাৰ হৈ বাস্তৱ জগতখনৰ জটিল যুদ্ধক্ষেত্ৰত ভৰি দিছোঁ, তেতিয়াহে অনুভৱ কৰোঁ—বাপুজী মহাবিদ্যালয় কেৱল এখন শিক্ষানুষ্ঠান নাছিল, আছিল আমাৰ আত্মবিশ্বাসৰ আধাৰশিলা। জীৱনৰ বাটত যেতিয়াই কেতিয়াবা থমকি ৰওঁ বা ভাগৰি পৰোঁ, তেতিয়াই সেই ৯ নম্বৰ ৰুমটোৰ স্মৃতি আৰু শিক্ষকসকলৰ আশীৰ্বাদে নতুন উদ্যম যোগায়। তেওঁলোকে কোৱা প্ৰতিটো কথাই আজিও পথপ্ৰদৰ্শকৰ দৰে কাম কৰে।
সময়ৰ সোঁতত হয়তো আমি সকলোৱে নিজৰ নিজৰ গন্তব্যলৈ উৰি গ'লোঁ, চৌপাশৰ বহু কথা সলনি হ'ল। কিন্তু বাপুজী মহাবিদ্যালয় আৰু সেই ৯ নম্বৰ কোঠাটোৰ প্ৰতি থকা কৃতজ্ঞতা মোৰ হৃদয়ৰ এটা কোণত চিৰসেউজ হৈ ৰ'ব। জীৱনত মই যিমানেই সফল নহওঁ কিয়, মোৰ অস্তিত্বৰ শিপাডাল সদায় এই পবিত্ৰ মহাবিদ্যালয়খনৰ ধূলি-বালিতেই সোমাই থাকিব। ভালে থাকক মোৰ শিক্ষাগুৰুসকল; ভালে থাকক মোৰ আপোন মহাবিদ্যালয়খন।

জয়তু বাপুজী মহাবিদ্যালয়!
জয়তু অসমীয়া বিভাগ!
************************************************************************************************



## বাপুজী মহাবিদ্যালয়, সৰুক্ষেত্ৰী মোৰ ৫ বছৰীয়া যাত্ৰা (২০১৫-২০২০)

কংকনা শৰ্মা
বাপুজী মহাবিদ্যালয়, ২০১৫-২০২০ বৰ্ষ।

২০১৫ চনত যেতিয়া প্ৰথমবাৰ সৰ্থেবাৰীৰ বাপুজী মহাবিদ্যালয়ত ভৰি দিছিলোঁ, তেতিয়া ভাবিছিলোঁ ইমান ডাঙৰ মহাবিদ্যায়, কেনেকৈ আগবাঢ়ি যাব পাৰিম? ছাৰ/ বাইদেউ সকলক দেখি ভাবিছিলোঁ কেনেকুৱা বা হয়,কিবা নাজানিলে কেনেকৈ সুধিম? কাকো চিনি নাপাওঁ, কি কৰিম, কি নকৰিম নানান প্ৰশ্ন আহিছিল মনলৈ। পিছত লাহে -লাহে উচ্চতৰ মাধ্যমিকৰ দুটা বছৰ কেনেকৈ পাৰ হ'ল গমেই নাপালোঁ।
আচল আৰম্ভণি হ'ল ২০১৭ চনৰ পৰা। যেতিয়া স্নাতক শাখাত অসমীয়া বিষয়ত মেজৰ ল'লোঁ। তেতিয়াৰ পৰা ২০২০ লৈকে এই ৩ টা বছৰ মোৰ জীৱনৰ আটাইতকৈ শ্ৰেষ্ঠ সময়।
অসমীয়া বিভাগ, আৰু সেই ৯ নম্বৰ ৰুম টো আমাৰ বাবে কেৱল এটা বিভাগেই নাছিল, এখন ঘৰ আছিল। আৰু সেই ঘৰখনৰ মূল মানুহজন আছিল আমাৰ সকলোৰে মৰমৰ, শ্ৰদ্ধাৰ মুৰব্বী অধ্যাপক স্বৰ্গীয় পৰেশ ভূঞা ছাৰ।
ছাৰৰ কথা মনত পৰিলে আজিও চকু সেমেকি যায়। ইমান সহজ-সৰল, ইমান মৰমীয়াল মানুহ মই জীৱনত কমেই দেখিছোঁ। তেওঁ আমাক কেতিয়াও ছাত্ৰ/ছাত্ৰী বুলি ভবা নাছিল, নিজৰ সন্তানৰ দৰে মৰম কৰিছিল। ক্লাছত তেওঁৰ সেই হাঁহি থকা মুখ, ধীৰ-স্থিৰ মাত, সাহিত্যৰ গভীৰ ব্যাখ্যা - সকলো আজিও কাণত বাজি আছে। তেওঁ কেৱল অসমীয়া সাহিত্যই শিকোৱা নাছিল, কেনেকৈ ভাল মানুহ হ'ব লাগে তাকো শিকাইছিল। আজি ছাৰ আমাৰ মাজত নাই, কিন্তু তেওঁৰ আদৰ্শ আৰু আশীৰ্বাদ সদায় আমাৰ লগত থাকিব। ছাৰৰ আত্মাৰ সদগতি কামনা কৰিলোঁ। ⍰ বাকী সকলো ছাৰ / বাইদেউৰে আমাক যিমান ধুনীয়াকৈ বুজাই শিকাইছিল সেয়া আমি পাহৰিব নোৱাৰো। প্ৰত্যেক গৰাকী শিক্ষক শিক্ষা গুৰুৰ আশীৰ্বাদত আজি আমি যি খিনি শিকিব পৰিছোঁ তেখেত সকলৰ বাবেই সম্ভৱ হৈছে।
এই বিভাগতে মই মোৰ জীৱনৰ আটাইতকৈ ভাল বন্ধুবোৰ পালোঁ। শেষৰ বেঞ্চৰ পৰা Library লৈ, Canteen ৰ চাহৰ পৰা College Week ৰ নাটকলৈ, Proxy দিয়াৰ পৰা পৰীক্ষাৰ আগৰ নিশাৰ টেনচনলৈ - সকলো স্মৃতি হৈ ৰ'ল।
২০১৫ ৰ পৰা ২০২০ লৈ, ৫ টা বছৰে মোক যি দিলে, মই জীৱনত কেতিয়াও পাহৰিব নোৱাৰোঁ।
আৰু এটা কথা নকলে নহ'ব,
মহাবিদ্যালয়ৰ প্ৰতিটো কোণত মোৰ স্মৃতি সোমাই আছে। পুৱাৰ Assembly ৰ পৰা আৰম্ভ কৰি খেলপথাৰৰ আড্ডালৈকে, Common Room ৰ পৰা Office Room ৰ সন্মুখলৈকে সকলোতে আমাৰ খোজৰ চিন আছে।
Senior দাদা-বাইদেউসকলে যিদৰে মৰমেৰে বুজাইছিল, junior ভাই-ভনীহঁতে যিদৰে সন্মান দিছিল, Office ৰ ককাইদেউসকলৰ সহায়, Library ৰ বাইদেউৰ মৰম - সকলো বোৰ যেন আজিও বৰকৈ মনত পৰে।
কলেজৰ ইউনিফৰ্মটো পিন্ধি যোৱা শেষ দিনটোৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰোঁ। ভাবিছিলোঁ Degree টো লৈ বহুত ফুৰ্তি কৰিম, কিন্তু সেইদিনা হাঁহিৰ মাজতো চকুত চকুলো আহিছিল।
সময় সলনি হ'ব, আমি সকলোৱে নিজৰ জীৱনত আগবাঢ়ি যাম। কিন্তু যেতিয়াই সৰ্থেবাৰীৰ ফালে যাম, বাপুজী মহাবিদ্যালয়ৰ গেটখন দেখিলে বুকুখনত এটা অজান মৰমে বিন্ধিবই।
এয়াই মোৰ কলেজ, এয়াই মোৰ গৌৰৱ।

জয়তু বাপুজী মহাবিদ্যালয়, সৰ্থেবাৰী।
জয়তু অসমীয়া বিভাগ।

*****************************************************************************************



-

# স্মৃতিৰ এখিলা পাত:

**প্ৰাক্তন ছাত্ৰী : হিৰামনি ডেকা**

**স্নাতক বৰ্ষ : ২০১৯-২০২২**

আমাৰ হেঁপাহৰ বাপুজী কলেজখনত অতিবাহিত কৰা প্ৰতিটো দিনেই আছিল বিশেষ আৰু স্মৰণীয়। ছাৰ-বাইদেউসকলৰ সান্নিধ্যত বিচাৰি পাইছিলোঁ জীৱন বাটৰ এক নতুন দিশ ।

যি দিশ আছিল নিজৰ পৰিচয় গঢ়ি তোলাৰ এক সুন্দৰ প্ৰেৰণা।

কেণ্টিনৰ এপিয়লা চাহ আৰু তাৰ সৈতে বন্ধু-বান্ধৱীৰ মাজত হোৱা সেই আড্ডাবোৰৰ মধুৰ স্মৃতিয়ে আজিও মনটো সজীৱ কৰি তোলে। ছাৰ-বাইদেউসকলৰ সৈতে “ভূটান চৌকী”লৈ বনভোজ খাবলৈ যোৱা সেই দিনটোও আছিল আমাৰ বাবে এক অনন্য সৌভাগ্য। সেই দিনবোৰৰ প্ৰতিটো মুহূৰ্ত, প্ৰতিটো হাঁহি আৰু প্ৰতিটো স্মৃতি আজিও বুকুৰ মাজত সজীৱ হৈ আছে।

কলেজ জীৱন কেৱল পাঠ্যপুথিৰ জ্ঞান লাভৰ সময় নাছিল; ই আছিল জীৱনক চিনি পোৱা, সম্পৰ্কৰ মূল্য বুজি পোৱা আৰু নিজৰ সপোনবোৰক বাস্তৱৰ ৰূপ দিয়াৰ এক সুন্দৰ যাত্ৰা।

ধন্যবাদ ছাৰ-বাইদেউসকল, আপোনালোকৰ মৰম, আশীৰ্বাদ আৰু মূল্যৱান শিক্ষা মোৰ জীৱনৰ এক অমূল্য সম্পদ। আপোনালোকৰ পৰা লাভ কৰা জ্ঞান আৰু অনুপ্ৰেৰণাৰ বাবেই আজি এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত শিক্ষক হিচাপে সেৱা আগবঢ়োৱাৰ সুযোগ লাভ কৰিছোঁ। মোৰ বাবে এয়া কেৱল এটা পেছা নহয়, বৰং আপোনালোকৰ পৰা লাভ কৰা শিক্ষাক আগুৱাই নিয়াৰ এক সুন্দৰ সুযোগ।

বাপুজী কলেজৰ সেই সোণালী দিনবোৰ হয়তো পুনৰ ঘূৰি নাহিব, কিন্তু সেই দিনবোৰৰ স্মৃতি, ছাৰ-বাইদেউসকলৰ মৰম আৰু বন্ধু-বান্ধৱীৰ সৈতে কটোৱা মুহূৰ্তবোৰ জীৱনৰ শেষলৈকে হৃদয়ত অমলিন হৈ ৰ'ব।

সময়ৰ সোঁতত জীৱন আগবাঢ়ি যাব, নতুন নতুন অধ্যায় সংযোজিত হ'ব; কিন্তু বাপুজী কলেজৰ অসমীয়া বিভাগৰ সেই সোণালী অধ্যায়টো মোৰ জীৱনৰ পাতত সদায়েই আটাইতকৈ মৰমৰ আৰু উজ্জ্বল অধ্যায় হৈ ৰ'ব।

সকলোৰে প্ৰতি আন্তৰিক কৃতজ্ঞতা আৰু অফুৰন্ত মৰম।

জয়াতু বাপুজী মহাবিদ্যালয়

জয়াতু অসমীয়া বিভাগ

****************************************************************************************************





# জয়তু অসমীয়া বিভাগ

**চন্দ্ৰমা বৰ্মন**
**২০১৯-২০২২ শিক্ষা বৰ্ষ**

অসমীয়া বিভাগৰ দুৱাৰ দলিত প্ৰথম দিনা সেই দিনটো আজিও মনত সজীৱ হৈ আছে। চকুত নতুন সপোন আৰু মনত বহুতো প্ৰশ্ন তথাপিও আশা আৰু হেঁপাহেৰে মই যেন নিজৰ ঘৰখনহে বিচাৰি পাইছিলো।

মহাবিদ্যালয়ত পঢ়ি থকা সময়ছোৱাত  বন্ধু- বান্ধৱী সকলৰ লগত হাঁহি ধেমালি , অধ্যাপক -অধ্যাপিকা সকলৰ মৰমলগা  কথা আৰু প্ৰতিটো সাংস্কৃতিক অনুষ্ঠানৰ দিনেই আনন্দৰে জীৱনটোক পূৰ্ণতা দিছিল। পৰীক্ষাৰ চিন্তাৰ মাজতো সেই দিনবোৰত এক অনাবিল স্বাধীনতা আৰু আপোনত্বৰ অনুভৱ সদায়ে জীয়াই আছিল।

অসমীয়া বিভাগৰ কলেজীয়া শিক্ষাই মোক ভাষা - সাহিত্যৰ গভীৰ জ্ঞানৰ লগতে চিন্তা প্ৰকাশভংগীৰ পোহৰ দিলে। অধ্যাপক - অধ্যাপিকা সকলৰ আন্তৰিক পথ - প্ৰদৰ্শনে মোৰ ব্যক্তিত্ব আৰু ভৱিষ্যতৰ ভেটি মজবুত কৰিলে।

অসমীয়া বিভাগৰ অধ্যাপক - অধ্যাপিকা সকল কেৱল শিক্ষকেই নাছিল, তেখেতসকল আমাৰ পথ - প্ৰদৰ্শক আৰু অভিভাৱক সদৃশ আছিল। তেখেত সকলৰ মৰম, শাসন আৰু জ্ঞানৰ পোহৰে কলেজীয়া জীৱনটো সাৰ্থক কৰি তুলিছিল।

সময় বাগৰিলেও অসমীয়া বিভাগৰ এই স্মৃতিবোৰ চিৰদিনলৈ মোৰ হৃদয়ত সজীৱ হৈ থাকিব। এই বিভাগ আৰু কলেজীয়া জীৱন মোৰ বাবে সদায় মৰমৰ ঠিকনা হৈ ৰ'ব।

**************************************************************************************************



**ৰিমঝিম কলিতা**
**২০১৮-২০২১ বৰ্ষ**

কলেজৰ বিচৰা সময়খিনি উভতি আনিব পৰা হ'লে হয়তো আকৌ ঘূৰাই পালোঁহেতেন পিতৃ সদৃশ মাননীয় পৰেশ ভূঞা ছাৰক। কলেজৰ গেটখনৰ পৰা আৰম্ভ হৈ প্ৰতিডাল গছ - বিৰিখ,কলেজৰ প্ৰতিটো কোঠাত বিয়পি থকা শান্তিৰ বতাহজাকৰ মাদকতা আজিও অনুভৱ কৰোঁ। বিভাগৰ প্ৰতিগৰাকী ছাৰ - বাইদেৱে দিয়া জ্ঞান আৰু সাহস বুকুত বান্ধি আগুৱাই আছোঁ জীৱন যুদ্ধত। বট বৃক্ষ সদৃশ বাপুজী মহাবিদ্যালয়ৰ মূল শিপা সদৃশ অসমীয়া বিভাগৰ গগণচুম্বী উন্নতিৰ কামনাৰে......



**মধুস্মিতা বৰ্মন**

বাপুজী মহাবিদ্যালয়ৰ কথা কিমান কম যিমান কলেও শেষ নহব ... তিনিটা বছৰ যে কেনেকৈ চকুৰ পলকতে গল গমেই নাপালো ... বিশেষকৈ অসমীয়া বিভাগটো চাৰ মেম হত নিজৰ দৰে হৈ পৰিছিল বহুত কম সময়ত ... চাৰ মেমহতে পঢ়াৰ লগতে কিবা নজনা কথা থাকিলে বুজাই দিছিল ... কেতিয়াবা গালিও দিছিল সেই সময়ত যদিও সেই খিনি বেয়া লাগিছিল এতিয়া ভাবিলে সেইবোৰে ভাল লাগে ... এতিয়া এনেকুৱা লাগে আকৌ এবাৰ সেই দিনবোৰলৈ ঘূৰি যাব পাৰিলে ... আকৌ এবাৰ সেই বন্ধু ৱান্ধৱী বোৰৰ লগত একেলগে বহী ক্লাছ কৰিব পাৰিলে ...



## মহাবিদ্যালয়ৰ স্মৃতি ৰোমন্থন

**প্ৰাক্তন ছাত্ৰী**

**✍নিকিতা ডেকা**

মহাবিদ্যালয় জীৱন–জীৱনৰ আটাইতকৈ ধুনীয়া আৰু স্মৰণীয় অধ্যায়সমূহৰ ভিতৰত অন্যতম। আজিও যেতিয়া অতীতলৈ উভতি চাওঁ, মহাবিদ্যালয়ৰ সেই সোণালী দিনবোৰ, বন্ধুবৰ্গৰ সৈতে কটোৱা হাঁহি-ধেমালি, শ্ৰেণীকোঠাৰ ব্যস্ততা আৰু শিক্ষাগুৰুসকলৰ মৰম-শাসনে মনটো নষ্টালজিয়াৰে ভৰি পৰে।
অসমীয়া বিভাগৰ এগৰাকী ছাত্ৰী হিচাপে এই বিভাগটোৰ সৈতে জড়িত প্ৰতিটো মুহূৰ্ত মোৰ বাবে অমূল্য। অসমীয়া সাহিত্যৰ বিভিন্ন সৃষ্টি, কবিতা, গল্প, উপন্যাস আৰু ভাষাৰ সৌন্দৰ্যৰ সৈতে পৰিচয় হোৱাৰ লগতে শিক্ষাগুৰুসকলৰ পৰা লাভ কৰা জ্ঞান আৰু জীৱনমুখী শিক্ষাই মোক সমৃদ্ধ কৰিছে। বিভাগটোৰ শ্ৰেণীকোঠা, শিক্ষাগুৰুসকলৰ স্নেহভৰা কথা আৰু সহপাঠীসকলৰ সৈতে কটোৱা সময়বোৰ সদায় মনত সজীৱ হৈ থাকিব।
মহাবিদ্যালয়ৰ চৌহদত কটোৱা প্ৰতিটো দিনেই যেন এতিয়া একো একোটা মধুৰ স্মৃতি। কেতিয়াবা হাঁহি, কেতিয়াবা অভিমান, কেতিয়াবা পৰীক্ষাৰ চিন্তা আৰু কেতিয়াবা বন্ধুৰ সৈতে অন্তহীন আড্ডা, কেন্টিনত চাহ-চিংগৰাৰ জুতি –এই সকলোবোৰেই মহাবিদ্যালয় জীৱনক সম্পূৰ্ণ কৰি তুলিছিল।

সময় সলনি হয়, আমি জীৱনৰ নতুন বাটত আগবাঢ়ি যাওঁ; কিন্তু মহাবিদ্যালয়ৰ সেই দিনবোৰ কেতিয়াও হেৰাই নাযায়। স্মৃতিৰ পাতত সযতনে সাঁচি ৰখা এই সোণালী অধ্যায়টো জীৱনৰ শেষলৈকে মোৰ বাবে এক মিঠা অনুভৱ হৈ ৰ'ব।
বাপুজী মহাবিদ্যালয়ৰ অসমীয়া বিভাগ সদায় জিলিকি থাকক

************************************************************************************************



**এখন চিঠি মোৰ অসমীয়া বিভাগলৈ**

**বাপুজী মহাবিদ্যালয়, সৰুক্ষেত্ৰী অসমীয়া বিভাগ**

**চিমি ডেকা**
**প্ৰাক্তন ছাত্ৰী, অসমীয়া বিভাগ (২০১৭-২০২০)**

মই ২০১৭ চনত যেতিয়া অসমীয়া বিভাগত Major লৈ নামভৰ্তি কৰিছিলোঁ, তেতিয়া ভবা নাছিলোঁ এই বিভাগটোৱেই মোৰ জীৱনৰ আটাইতকৈ আপোন ঠাই হৈ পৰিব। প্ৰথম দিনাৰ জড়তা, নতুন কিতাপৰ গোন্ধ, আৰু ছাৰ-বাইদেউৰ মৰমভৰা হাঁহি - এতিয়াও চকুৰ আগত ভাঁহি আছে।

তিনিটা বছৰ কেনেকৈ পাৰ হ'ল গমকে নাপালোঁ। শ্ৰেণীকোঠাত বেজবৰুৱাৰ গল্প পঢ়া, লাইব্ৰেৰীত বহি assignment লিখা, আলোচনীৰ বাবে লেখা বিচাৰি ছাৰৰ পিছে পিছে ঘূৰা, কলেজৰ সপ্তাহত একেলগে নাচ-গান কৰা - এইবোৰ স্মৃতি এতিয়াও বুকুত সজীৱ হৈ আছে।

আমি ২০১৭-২০২০ ৰ batch টো হয়তো অলপ বেলেগ আছিলোঁ। শেষৰটো semester আমি ভালদৰে কৰিবই নাপালোঁ। খিৰিকীৰে শেষবাৰ ৰ'দ চাই, বন্ধু-বান্ধৱীক সাবটি বিদায়ো লব নোৱাৰিলোঁ। তথাপিও অসমীয়া বিভাগে যি দিলে, সেয়া কোনো lockdown এ কাঢ়ি নিব নোৱাৰে।

এই বিভাগে মোক কেৱল ডিগ্ৰী দিয়া নাই, মোক মোৰ ভাষাটোক ভাল পাবলৈ শিকাইছে, মোৰ শিপাক চিনিবলৈ শিকাইছে। আজি যতেই নাথাকো কিয়, অসমীয়া বিভাগৰ ছাত্ৰী বুলি ক'বলৈ গৌৰৱ অনুভৱ কৰোঁ।

মোৰ বিভাগলৈ, মোৰ ছাৰ-বাইদেউলৈ আৰু মোৰ সেই তিনিটা বছৰলৈ সদায় মৰম থাকিব।
****************************************************************************************************



**স্মৃতিৰ দলিচাত অতীতৰ খোজ✨**

**স্বপ্না বৰ্মন (২০১৬-১৯ বৰ্ষ)**

জীৱনৰ কিছুমান সময় কেতিয়াও পাহৰিব নোৱাৰি। সেই সময়বোৰৰ ভিতৰত কলেজীয়া জীৱন মোৰ বাবে আটাইতকৈ মধুৰ আৰু স্মৰণীয়। কলেজৰ সেই চিনাকি চৌহদ, শ্ৰেণীকোঠা,ছাৰ-বাইদেউ আৰু বন্ধু-বান্ধৱীৰ সৈতে কটোৱা মুহূৰ্ত্তবোৰ মনত পৰিলে আজিও মনটো আনন্দৰে ভৰি পৰে। ছাৰ-বাইদেউ সকলৰ মৰম, শাসন আৰু পৰামৰ্শই আমাৰ জীৱন গঢ়াত বিশেষ ভূমিকা লৈছিল। আজি সকলোৱে নিজৰ নিজৰ কৰ্মজীৱনত ব্যস্ত। তথাপিও পুৰণি স্মৃতিবোৰ মনলৈ আহিলে সেই সোণালী দিনবোৰলৈ যেন আকৌ ঘূৰি যাবলৈ মন যায়। সেই মধুৰ স্মৃতিবোৰ আমাৰ হৃদয়ত সদায় জীপাল হৈ থাকিব।

সঁচাকৈয়ে, কলেজীয়া জীৱন আছিল জীৱনৰ এক সোণালী অধ্যায় - যাৰ পৃষ্ঠা বন্ধ হ'লেও স্মৃতিবোৰ কেতিয়াও শেষ নহয়।

ধন্যবাদ।□

   

**দিপা মণি ৰয়**
**২০১৯-২০২২ বৰ্ষ**

কলেজীয়া দিনৰ স্মৃতি বুলিলে প্ৰতিজন ব্যক্তিৰ মনলৈ আহে এক সোণালী অতীত, য'ত লুকাই থাকে বন্ধুত্ব, হাঁহি-কান্দোন আৰু অফুৰন্ত আনন্দৰ অনুভৱ। মোৰ বাবেও ইয়াৰ ব্যতিক্ৰম নহয়।

২০১৯ চন। উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ আমি তিনিজনী বান্ধৱী একেলগে বাপুজী মহাবিদ্যালয়ত নামভৰ্তি কৰিব গ'লো। আমাৰ সিদ্ধান্ত আছিল তিনিওৱে অসমীয়া বিভাগত নামভৰ্তি কৰিম (অকলশৰীয়া হোৱাৰ ভয়ত)। ২ নং কোঠাত নামভৰ্তি চলি আছিল। যথা সময়ত মই নামভৰ্তি কৰিলো যদিও দুৰ্ভাগ্যবশতঃ সিহঁত দুজনীয়ে সুযোগ নাপালে।হৈ গ'লো অকলশৰীয়া।

ক্লাছৰ প্ৰথম দিনটো। ভয়ে ভয়ে গৈ আছিলো। বাটত চিনাকি জ্যেষ্ঠসকলক দেখিলে সুধিছিলো- ” অসমীয়া বিভাগটো কোনখিনিত আছে, ক্লাছ কোন সময়ত কিমান নং কোঠাত হ'ব কেনেকৈ জানিম ইত্যাদি।'' এনেকৈয়ে দিনবোৰ পাৰ হৈ গ'ল। প্ৰথম অৱস্থাত অকলশৰীয়া আছিলো যদিও পাছলৈ আমি ...



## স্মৃতিৰ এখিলা পাত

## বাপুজী মহাবিদ্যালয়ত কটোৱা মোৰ তিনিটা বছৰ-

শ্ৰী মনোজ দাস
প্ৰাক্তন ছাত্ৰ (২০১৯-২০২২) বৰ্ষ

জীৱনৰ কিছুমান সময় পাৰ হৈ যায়, কিন্তু সেই সময়ৰ স্মৃতিবোৰ কেতিয়াও পাৰ হৈ নাযায়। মোৰ বাবে বাপুজী মহাবিদ্যালয়ত কটোৱা তিনিটা বছৰো তেনেকুৱাই এক বিশেষ সময় আছিল, যি সময় হয়তো জীৱনৰ হিচাপত মাত্ৰ তিনিটা বছৰ, কিন্তু মোৰ হৃদয়ত ই এক দীঘলীয়া, সুন্দৰ আৰু কেতিয়াও পাহৰিব নোৱাৰা অনুভৱ।

বাপুজী মহাবিদ্যালয়ত প্ৰথমবাৰৰ বাবে ভৰি দিয়াৰ দিনটো আজিও মোৰ মনত সজীৱ হৈ আছে। নতুন পৰিৱেশ, নতুন মুখ, নতুন শিক্ষক-শিক্ষয়িত্ৰী আৰু নতুন বন্ধু-বান্ধৱীৰ মাজত আৰম্ভ হৈছিল মোৰ কলেজীয়া জীৱন। সেই সময়ত হয়তো নাজানিছিলোঁ যে এই ঠাইখনৰ সৈতে এদিন মোৰ জীৱনৰ ইমানবোৰ স্মৃতি আৰু অনুভৱ জড়িত হৈ পৰিব।

মোৰ বাপুজী মহাবিদ্যালয়ৰ কলেজীয়া জীৱনৰ এটা কথা অৱশ্যে আন সকলোৰে পৰা অলপ পৃথক আছিল- মই "এজন বিশেষভাৱে সক্ষম যুৱক , দুয়োখন কানেৰে নুশুনা এজন প্ৰতিবন্ধী ছাত্ৰ আছিলোঁ"। সৰুৰে পৰা শ্ৰৱণশক্তি হেৰুৱাই জীৱনৰ বহু কথা শুনাৰ সলনি চকুৰে চাই, মুখৰ অভিব্যক্তি বুজি আৰু অনুভৱৰ জৰিয়তে বুজিবলৈ শিকিছোঁ। সেয়েহে বাপুজী মহাবিদ্যালয়ত পঢ়ি থকা সেই তিনিটা বছৰত মোৰ মৰমৰ ছাৰ-বাইদেউসকলৰ মুখৰ পৰা ওলোৱা মৰমৰ মাত এষাৰো শুনিব নোৱাৰিলোঁ। মোৰ মৰমৰ বন্ধু-বান্ধৱীসকলৰ সৈতে একেলগে থাকিও তেওঁলোকৰ মুখৰ মাত, হাঁহিৰ শব্দ বা মোক মাতি কোৱা কথাবোৰ কাণেৰে এবাৰো শুনিব নোৱাৰিলোঁ। এই অপূৰ্ণতাৰ দুখটো হয়তো মোৰ জীৱনৰ সৈতে গোটেই জীৱনেই থাকি যাব।

কেতিয়াবা মনে মনে ভাবোঁ—যদি এবাৰ হ'লেও মোৰ প্ৰিয় ছাৰ-বাইদেউসকলৰ মৰমৰ মাতটো শুনিব পাৰিলোঁহেঁতেন! যদি এবাৰ হ'লেও মোৰ মৰমৰ বন্ধু-বান্ধৱীসকলৰ মাত শুনি তেওঁলোকৰ সৈতে সেই মুহূৰ্তটো ধুনীয়াকৈ উপভোগ কৰিব পাৰিলোঁহেঁতেন! হয়তো সেই অনুভৱটো মোৰ জীৱনৰ আটাইতকৈ মূল্যৱান স্মৃতিবোৰৰ ভিতৰত এটা হৈ ৰ'লহেঁতেন।

কিন্তু জীৱনে মোক যি দিয়া নাই, তাৰ বাবে কেৱল আক্ষেপ কৰি থকাটোও মই শিকি অহা জীৱন নহয়। মই তেওঁলোকৰ কথা কাণেৰে শুনিব নোৱাৰিলেও, তেওঁলোকৰ মৰম অনুভৱ কৰিব পাৰিছিলোঁ। তেওঁলোকৰ মুখৰ অভিব্যক্তি, চকুৰ ভাষা, হাঁহি আৰু ব্যৱহাৰৰ মাজেৰে মই বহু কথা বুজিবলৈ চেষ্টা কৰিছিলোঁ। তেওঁলোকে কোৱা কথাবোৰ শুনিব নোৱাৰিলেও, তেওঁলোকৰ মৰমৰ অনুভৱ মোৰ হৃদয়ে অনুভৱ কৰিছিল। মই চকুৰে চাই চাই বুজিবলৈ চেষ্টা কৰিছিলোঁ—কোনে মোক কি ক'ব বিচাৰিছে, কোনে মোক মৰমেৰে চাইছে, কোনে মোক সহায় কৰিব বিচাৰিছে।।

সেইবাবেই মোৰ বাবে বাপুজী মহাবিদ্যালয়ৰ সম্পৰ্কবোৰ কেৱল শব্দৰ সম্পৰ্ক নাছিল, সেইবোৰ আছিল অনুভৱৰ সম্পৰ্ক। কেতিয়াবা শব্দ নোহোৱাকৈও মানুহৰ মৰম অনুভৱ কৰিব পাৰি, কথা নুশুনাকৈও মানুহৰ হৃদয়ৰ কথা বুজিব পাৰি—মোৰ বাপুজী মহাবিদ্যালয়ৰ কলেজীয়া জীৱনে মোক এই কথাটো শিকাই গ'ল।

মোৰ সহপাঠীসকলৰ কথাও একেদৰেই। একেলগে পঢ়া, একেলগে থকা, হাঁহি-ধেমালি কৰা, বিভিন্ন কামত ইজনে সিজনক সহায় কৰা, এই সৰু সৰু মুহূৰ্তবোৰেই আজি মোৰ বাবে অমূল্য স্মৃতি। তেওঁলোকৰ মাত শুনিব নোৱাৰিলেও তেওঁলোকৰ হাঁহি দেখিছিলোঁ, তেওঁলোকৰ কথা শুনিব নোৱাৰিলেও তেওঁলোকৰ মুখৰ অভিব্যক্তিৰ পৰা অনুভৱ কৰিছিলোঁ। হয়তো শব্দৰ পৃথিৱীখন মোৰ বাবে নীৰৱ আছিল, কিন্তু মোৰ চাৰিওফালৰ মানুহবোৰৰ মৰমে সেই নীৰৱ পৃথিৱীখনক অনুভৱেৰে ভৰাই তুলিছিল।

মোৰ মহাবিদ্যালয়ৰ কলেজীয়া জীৱনটো সদায় বৰ সহজ নাছিল। নিজৰ সীমাবদ্ধতাৰ সৈতে মোকাবিলা কৰি, বহু কথাই নুশুনাকৈ, বহু কথা আনৰ পৰা বুজি লৈ, কেতিয়াবা নিজেই অনুমান কৰি আগবাঢ়িবলগীয়া হৈছিল। তথাপিও মই থমকি ৰোৱা নাছিলোঁ। কাৰণ মোৰ বাবে প্ৰতিটো বাধাই আছিল নিজকে আৰু অলপ শক্তিশালী কৰি তোলাৰ এক সুযোগ।

আজি পিছলৈ ঘূৰি চালে অনুভৱ হয়, সেই দিনবোৰত হয়তো বহু কথাই সম্পূৰ্ণৰূপে উপভোগ কৰিব পৰাক্ষ নাছিলোঁ, কিন্তু যিখিনি অনুভৱ কৰিব পাৰিছিলোঁ, সেইখিনিয়েই মোৰ বাবে অমূল্য। বাপুজী মহাবিদ্যালয়ে মোক কেৱল এখন ডিগ্ৰী দি থৈ যোৱাই নহয়, ই মোক বহু মানুহৰ মৰম, বহু সম্পৰ্কৰ মূল্য আৰু জীৱনৰ প্ৰতি এক নতুন দৃষ্টিভংগী দি গৈছে।

সময় কেতিয়া পাৰ হৈ গ'ল, গমেই নাপালোঁ। কালিলৈকে যেন মহাবিদ্যালয়ৰ শ্ৰেণীকোঠাত বহি আছিলোঁ, শিক্ষক-শিক্ষয়িত্ৰীৰ মুখলৈ চাই আছিলোঁ আৰু বন্ধু-বান্ধৱীৰ সৈতে সময় কটাই আছিলোঁ। কিন...

***********************************************************************************************

## দাৰ্শনিকৰ ভংগিমাৰে তেখেত ক্লাচলৈ আহিছিল ---

## ( শ্ৰদ্ধাৰ শিক্ষাগুৰু পৰেশ ভূঞা ছাৰৰ দেহাৱসানত আমাৰ দুখভাৰ, তেখেতলৈ একাজলি অশ্ৰু-অঞ্জলি)

**ৰাজ কুমাৰ তামুলী**

আপুনি এগচি অক্ষয় জ্ঞান-জ্যোতিৰ বন্তি !
আপোনাৰ আলোকেৰে আলোকিত  প্ৰজন্মৰ পিছতো অভিভূত প্ৰজন্ম ।
আপুনি মমৰ দৰে জ্বলি-গলি বিলাইছিল পোহৰ।
অন্ধত্বৰ দুৱাৰ মুকলি কৰা জ্ঞানৰ পোহৰ !
যি পোহৰে আপোনাৰ শিষ্যবোৰক লৈ গৈছে
আত্মনুসন্ধানৰ বাটেৰে পোহৰৰ দেশলৈ......
য'ৰ পৰা মানুহে উৰে চৰাইৰ দৰে আকাশত !
সেই যে প্ৰথম আপোনাক দেখা কলেজৰ দুপৰীয়া
বাৰটা পঞ্চল্লিছত দাৰ্শনিক ভংগিমাৰে বেগাই ক্লাচলৈ আহি,
লুইপাদৰ চৰ্যাপদটোৰ ব্যাখ্যা কৰিছিল---
"কা আ তৰু বৰ পঞ্চবি ডাল"
কি নান্দনিক ভংগিমাত সৰল ব্যাখ্যা আগবঢ়াইছিল আপুনি।
ডাল ভৰি ৰঙা হৈ ফুলিছিল কলেজৰ কৃষ্ণচূড়া জোপা।
ক্লাচৰুমটো তেনেই নিতাল নিমাওমাও হৈ পৰিছিল তেতিয়া......
এদিন ক্লাচৰ সময়ত আপুনি কৈছিল---
"নিঃস্ব নিঃসংগ মানুহৰ শিৰত
অদৃশ্য শক্তিৰ আশিষ থাকে
যি আশিষে নিঃস্ব মানুহবোৰক
মানুহ কৰি জীয়াই ৰাখে"
আপুনি লৰ্কাৰ কথা কৈছিল
কিটছ্ ৰ  কথা  কৈছিল
মাধৱ কণ্ডলীৰ কথা কৈছিল
পাঁচালী কবিসকলৰ কথা কৈছিল
সাঁচিপাত আৰু ব্ৰাহ্মীলিপিৰ কথা কৈছিল !
সেই যে বগা ফুটুকী শ্বাৰ্টটোৰে আপুনি,
তেজোদ্দীপ্ত খোজেৰে বেগাই আহিছিল ক্লাচলৈ।
হাতত পিন্ধি লৈছিল আৰ্কিমিডিছৰ ঘড়ীটো।
আৰু যে বুজাইছিল 'সময়'ৰ সংজ্ঞা......
Time teaches very silently.
Time is best teacher in the world.
ছাৰ, নিজানত নিৰলে আপোনাৰ দোতাৰাখনে কান্দি উঠিছে !
আপুনি নাই যে সেই কাৰণে............,
**************************************************************************************************



প্ৰাক্তন ছাত্ৰী : দেৱী শ্ৰী নাথ
( ২০২১-২০২৪ )

প্ৰথম দিনা মনত থকা অচিনাকি ভাব, নতুন পৰিৱেশৰ প্ৰতি থকা কৌতূহল আৰু অলপ সংকোচৰ পৰা আৰম্ভ কৰি বিদায়ৰ সময়ত মনত সৃষ্টি হোৱা আবেগ—এই সমগ্ৰ যাত্ৰা মোৰ বাবে সদায় বিশেষ ।মোৰ জীৱনৰ এক মধুৰ আৰু সোঁৱৰণীয় অধ্যায়, যি ভৱিষ্যৎ পথৰ বাবে প্ৰেৰণা যোগায়। বাপুজী মহাবিদ্যালয় খন মোৰ বাবে কেৱল শিক্ষা গ্ৰহণৰ স্থান নহয়, ই আছিল মোৰ এক দ্বিতীয় ঘৰ। সেউজীয়া গছ-গছনিৰে ভৰা শান্ত আৰু মহাবিদ্যালয়ৰ সুন্দৰ পৰিৱেশে মনক সতেজ কৰি ৰাখিছিল। কলেজৰ বাৰান্দা আৰু খেলপথাৰখন আছিল মোৰ আটাইতকৈ প্ৰিয় ঠাই।শিক্ষকসকল আছিল আমাৰ পথপ্ৰদৰ্শক। তেওঁলোকৰ মৰম, অনুশাসন আৰু বহুমূলীয়া জ্ঞানে আমাক সকলোকে সঠিক পথ দেখুৱাইছিল।
পঢ়া-শুনাৰ বাদেও তেওঁলোকৰ সৈতে আমাৰ এক সৰল আৰু সহজ সম্পৰ্ক আছিল, যিয়ে আমাৰ ভয় দূৰ কৰিছিল। বাপুজী মহাবিদ্যালয়ত পঢ়ি থকা সময়ত কেণ্টিনত লগৰবোৰৰ লগত আড্ডা, লাইব্ৰেৰীৰ শান্ত পৰিৱেশত পঢ়িব গৈ লগৰ বোৰৰ লগত ফুচফুচাই কথা পাতি থকা আৰু পৰীক্ষাৰ আগ দিনা একোৱেই পঢ়া হোৱা নাই বুলি ভাবি থকা আদি কেতিয়াও পাহৰিব নোৱাৰা স্মৃতি , বাৰ্ষিক সপ্তাহ, খেল-ধেমালি আৰু বিভিন্ন উৎসৱত অংশগ্ৰহণেৰে কলেজৰ দিনবোৰ জীয়াইছিলো । কলেজখনে আমাক কেৱল ডিগ্ৰী প্ৰদান কৰাই নহয়, এজন ভাল মানুহ হিচাপে গঢ়ি তোলাত আৰু দায়িত্ববোধ শিকোৱাত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। বাপুজী মহাবিদ্যালয়ৰ এই সকলোবোৰ স্মৃতি আজীৱন মোৰ মনত ৰৈ যাব। বাপুজী মহাবিদ্যালয়ৰ অসমীয়া বিভাগত পাৰ কৰা সেই তিনিবছৰ মোৰ জীৱনৰ এক সোণালী অধ্যায়। শিক্ষক-শিক্ষয়িত্ৰীসকলৰ শিক্ষা, সহপাঠীসকলৰ বন্ধুত্ব আৰু অসংখ্য সুখ-দুখৰ স্মৃতি লৈ সেই অধ্যায়টো শেষ হ'লেও ইয়াৰ অভিজ্ঞতাই ভৱিষ্যতৰ পথত মোক সদায় প্ৰেৰণা যোগাইছে । কলেজৰ এই দিনবোৰ হয়তো পুনৰ ঘূৰি নাহিব, কিন্তু ইয়াৰ স্মৃতিবোৰ মোৰ মনত চিৰদিন সজীৱ হৈ থাকিব।
অসমীয়া বিভাগত পঢ়ি থাকোঁতে অসমীয়া ভাষা আৰু সাহিত্যৰ বিভিন্ন দিশৰ সৈতে পৰিচিত হোৱাৰ সুযোগ লাভ কৰিছোঁ। কবিতা, গল্প, উপন্যাস, নাটক, প্ৰবন্ধ, লোকসাহিত্য আদি বিভিন্ন সাহিত্যিক ধাৰাৰ বিষয়ে অধ্যয়ন কৰি অসমীয়া সাহিত্যৰ বিশালতা আৰু সমৃদ্ধি উপলব্ধি কৰিছোঁ। শংকৰদেৱ, মাধৱদেৱ, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ বৰুৱা আদি মহান সাহিত্যিকসকলৰ সৃষ্টি আৰু অৱদানৰ বিষয়ে জানি নিজৰ মাতৃভাষা আৰু সাহিত্যৰ প্ৰতি অধিক শ্ৰদ্ধা জন্মিছে।
সেই সময়ছোৱাত সহপাঠীসকলৰ সৈতে গঢ়ি উঠা বন্ধুত্বও মোৰ বাবে এক বিশেষ সম্পদ। একেলগে পঢ়া, আলোচনা কৰা, পৰীক্ষাৰ সময়ত ইজনে-সিজনক সহায় কৰা কেতিয়াবা মতভেদ বা অসুবিধা আহিলেও সেইবোৰে আমাক ইজনে-সিজনক বুজিবলৈ আৰু সহযোগিতাৰ মূল্য উপলব্ধি কৰিবলৈ শিকাইছিল । বাপুজী মহাবিদ্যালয়ৰ সেই শ্ৰেণীকোঠা, শিক্ষক-শিক্ষয়িত্ৰীৰ মৰম, বন্ধুসকলৰ হাঁহি আৰু একেলগে কটোৱা প্ৰতিটো মুহূৰ্ত হয়তো সময়ৰ সৈতে দূৰ হৈ যাব, কিন্তু মোৰ মনত এই স্মৃতিবোৰ সদায় এক বিশেষ স্থানত থাকিব।
"তিনিবছৰ পাৰ হৈ গ'ল, কিন্তু এই তিনিবছৰৰ স্মৃতিবোৰ হয়তো কেতিয়াও পাৰ হৈ নাযাব।"
****************************************************************************************************



# মোৰ হৃদয়ত সদায় ৰ'ব - মোৰ আপোন বাপুজী মহাবিদ্যালয়, সৰুক্ষেত্ৰী


**ৰাজলক্ষ্মী তালুকদাৰ**
অসমীয়া বিভাগ
২০২০-২০২৩ বৰ্ষ, বাপুজী মহাবিদ্যালয়, সৰুক্ষেত্ৰী


মোৰ জীৱনৰ সোণালী অধ্যায় বুলি ক'লে মই চকু মুদি এবাৰলৈ মনত পেলাওঁ, বাপুজী মহাবিদ্যালয়, সৰুক্ষেত্ৰীৰ সেই চৌহদটো। ২০২০ চন। ক'ভিডৰ আতংকৰ মাজত, বুকুত হাজাৰটা সপোন লৈ মই প্ৰথম ভৰি দিছিলোঁ এই মহাবিদ্যালয়ত,অসমীয়া বিভাগৰ এগৰাকী সাধাৰণ ছাত্ৰী হিচাপে। ভাবিছিলো, মাথো এটা ডিগ্ৰী লৈ ওলাই যাম। কিন্তু নাজানিছিলো, এইখন কলেজে মোক এটা পৰিয়াল দিব, এটা পৰিচয় দিব।
তিনিটা বছৰ - ২০২০ ৰ পৰা ২০২৩ লৈ। সময় কেনেকৈ পাৰ হ'ল গমকেই নাপালোঁ।
সময় বৰ নিষ্ঠুৰ। সি কাকো ৰ'বলৈ নিদিয়ে। ২০২০ চনৰ এটা কুঁৱলীসনা পুৱা যি খন কলেজৰ দুৱাৰত ভয় আৰু সপোন লৈ ভৰি দিছিলোঁ, ২০২৩ ত সেই দুৱাৰখনৰ পৰাই চকুলোৰে ওলাই আহিলোঁ।
হয়, মই বাপুজী মহাবিদ্যালয়, সৰুক্ষেত্ৰীৰ অসমীয়া বিভাগৰ ছাত্ৰী আছিলোঁ।
এই তিনিটা বছৰ মাথো তিনিটা বছৰ নাছিল, এয়া আছিল মোৰ জীৱনৰ আটাইতকৈ সুন্দৰ উপন্যাস। য'ত প্ৰতিটো পৃষ্ঠাতে আছিল ছাৰ-বাইদেউৰ মৰম, বন্ধুত্বৰ হাঁহি, আৰু কিবা এটা কৰি দেখুওৱাৰ দুৰ্বাৰ হেঁপাহ।
মোৰ এতিয়াও মনত আছে, অসমীয়া বিভাগৰ ছাৰ-বাইদেউ সকলৰ সেই মৰমসনা শাসন। তেওঁলোকে কেৱল অসমীয়া সাহিত্য শিকোৱা নাছিল, জীৱনটো কেনেকৈ ভাল পাব লাগে তাকো শিকাইছিল। যেতিয়া হতাশ হৈছিলোঁ, তেওঁলোকৰ এষাৰ কথাই মোক নতুনকৈ জীয়াবলৈ শিকাইছিল।
আৰু মোৰ বন্ধু-বান্ধৱীহঁত? সিহঁতৰ অবিহনে কলেজখন অসম্পূৰ্ণ আছিল। একেলগে কৰা প্ৰজেক্ট, কেন্টিনত বহি খোৱা চাহ, পৰীক্ষাৰ আগদিনাৰ উজাগৰী নিশা... সকলোবোৰ আজিও চকুৰ আগত ভাঁহি আছে।
বাপুজী মহাবিদ্যালয়ে মোক শিকালে - সপোন দেখিবলৈ আৰু সেই সপোনক খেদি যাবলৈ। আজি মই বি.এ. পাছ কৰি ওলাই আহিলোঁ যদিও, মোৰ মনটো এতিয়াও সেই পুৰণি বেঞ্চখনতে বহি আছে।
বিদায় বেলাত চকুলো ওলাইছিল। কাৰণ কলেজক বিদায় দিয়া নাছিলোঁ, নিজৰ এটা অংশক বিদায় দিছিলোঁ।
যি কলেজে মোক মানুহ হ'বলৈ শিকালে, সেই কলেজৰ ওচৰত মই চিৰকৃতজ্ঞ। মোৰ আপোন বাপুজীয়ে এনেকৈয়ে যুগে যুগে হাজাৰজনী ৰাজলক্ষ্মীৰ সপোনক বাট দেখুৱাই যাওক।
মই গ'লো বুলিয়েই শেষ নহয়, বাপুজী মোৰ হৃদয়ত সদায় থাকিব।
জয়তু বাপুজী মহাবিদ্যালয়, সৰুক্ষেত্ৰী।

************************************************************************************************************



# বাপুজী মহাবিদ্যালয় এক সুন্দৰ স্মৃতি❤

শ্ৰী পিংকু ডেকা(প্ৰাক্তন ছাত্ৰী)
২০১৪-২০১৭ বৰ্ষলৈ

অসমীয়া বিষয়টোৰ প্ৰতি মোৰ দুৰ্বলতা আগৰ পৰাই আছিল, উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ স্নাতক শিক্ষাৰ বাবে প্ৰথম মহাবিদ্যালয় খনত পদাৰ্পণ কৰিছিলো। অসমীয়া বিষয়টো মুখ্য বিষয় হিচাপে লৈ স্নাতক শিক্ষা জীৱন আৰম্ভ কৰিলো। পৰম শ্ৰদ্ধাৰ ঁপৰেশ ভূঞা ছাৰ, বিপুল ডেকা ছাৰ, ধনজিৎ ডেকা ছাৰ, মালামনি মেম, প্ৰিয়ংকা মেমৰ দৰে শিক্ষা গুৰুৰ পৰা শিক্ষা গ্ৰহণ কৰি নিজকে ধন্য মানো। শিক্ষাগুৰু সকলৰ পৰা পাঠ্যক্ৰমৰ লগতে আন বিভিন্ন বিষয়তো জ্ঞান আহৰণ কৰিছিলো।ছাৰ মেম সকলে নিজস্ব শিক্ষন শৈলীৰে আমাক তেখেতসকলৰ জ্ঞানৰ ভাণ্ডাৰৰ পৰা অকণো কৃপনালী নকৰাকৈ জ্ঞান বিলাই দিছিল আমিও হেপাহেঁৰে গ্ৰহণ কৰিছিলো। গুৰু-শিষ্যৰ দৰে এটা পবিত্ৰ সম্পৰ্কৰ লগতে এটা আত্মিক সম্পৰ্কও গঢ় লৈ উঠিছিল আমাৰ। মোৰ  মহাবিদ্যালয়ৰ পুথিভঁৰাল টোৰ প্ৰতিও এক বিশেষ আকৰ্ষণ আছিল, মাহেকীয়া আলোচনী নন্দিনী, সখী, বিভিন্ন ধৰ্মী উপন্যাস, পাঠৰ অন্তৰ্গত কিতাপবোৰ আজৰি সময়ত গৈ পঢ়িছিলোঁ। পুথিভঁৰালৰ পৰা দিয়া কাৰ্ড খনৰ লগতে এখন মেৰিট কাৰ্ডো পাইছিলো ছয় খনকৈ কিতাপ ঘৰলৈ  পঢ়িব আনিব পাৰিছিলো। সচাঁই পুথিভঁৰাল টোৰ পৰা বহুত খিনি সকাহ হৈছিল আমাৰ। ক্লাছ নাথাকিলে কেতিয়াবা চতুৰ্থ বৰ্গৰ কৰ্মচাৰী যিসকলক আমি জেঠী, খুৰী, পেহী বুলি সম্বোধন কৰিছিলো তেওঁলোকৰ লগতো কথাৰ মহলা মাৰিছিলো।তেওঁলোকৰ পৰা বহুত মৰম পাইছিলো।বহুত মনত পৰে সেই সময়খিনি লৈ। ৯ নং ৰুমৰ স্মৃতি কেতিয়াও নাপাহৰো,কিমান যে হাঁহি ধেমালি কৰিছিলো ৰুমটো যেন আমাৰ নিজৰ ঘৰ হে আছিল... ❤।  বহুত স্মৃতি জড়িত হৈ আছে অসমীয়া বিভাগৰ লগত মহাবিদ্যালয় খনৰ লগত লিখি শেষ কৰিব নোৱাৰিম চাগে কেতিয়াও।

জয়তু বাপুজী মহাবিদ্যালয়
জয়তু অসমীয়া বিভাগ



## মোৰ স্মৃতিৰ দাপোণত বাপুজী মহাবিদ্যালয়ৰ অসমীয়া বিভাগ

**চন্দ্ৰাস্মিতা ডেকা**
বৰ্ষ -২০২১-২০২৪

জীৱনৰ সোণোৱালী দিনবোৰৰ কথা মনত পৰিলে বাপুজী মহাবিদ্যালয়ৰ অসমীয়া বিভাগত কটোৱা আটাইতকৈ বেছি মনত পৰে । মোৰ বাবে কেৱল এই বিভাগটো কেৱল পঢ়া ঠাই নাছিল, আছিল এটা আপোন পৰিয়াল ।

বিভাগৰ শ্ৰেণীকোঠাৰ প্ৰথম দিনটোৰ পৰাই ছাৰ - বাইদেউসকলৰ মৰম আৰু সৰল ব্যৱহাৰে আপ্লুত কৰিছিল ।তেখেতসকলৰ পঢ়ুৱাওৰ সুন্দৰ শৈলী আৰু প্ৰতিজন ছাত্ৰ - ছাত্ৰীৰ প্ৰতি থকা দায়বদ্ধতাই আমাক জীৱনৰ সঠিক পথ দেখুৱাইছিল ।

সহপাঠীসকলৰ সৈতে লাইব্ৰেৰীত বহি কিতাপ পঢ়া,শৈক্ষিক ভ্ৰমণৰ সেই মধুৰ স্মৃতিবোৰ আজিও মোৰ মনত সজীৱ হৈ আছে ।আজি মহাবিদ্যালয়ৰ দেওনা পাৰ হৈ অহাৰ পিছতো বিভাগৰ সেই দিনবোৰে মনত সদায় দোলা দি যায় । মোৰ ব্যক্তিত্ব গঠনত অসমীয়া বিভাগৰ অৱদান অতুলনীয় ।

প্ৰাক্তন ছাত্ৰী হিচাপে মই সদায় গৌৰৱ অনুভৱ কৰোঁ যে মই এই বিভাগৰ সদস্য আছিলোঁ ।

আমাৰ প্ৰাণৰ বাপুজী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উত্তৰোত্তৰ উন্নতি আৰু সমৃদ্ধি আন্তৰিকতাৰে কামনা কৰিলোঁ ।

জয়তু বাপুজী মহাবিদ্যালয়

জয়তু বাপুজীয়ান



## তিনি বছৰীয়া কলেজীয়া যাত্ৰা : এক মধুৰ অনুভৱ

**ফুলমণি ডেকা**

**বৰ্ষ : ২০২১ - ২০২৪**

মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল , মৰমৰ সহপাঠী সকল আৰু মোৰ প্ৰিয় কলেজে খনলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো ।

জীৱনৰ কিছুমান সময় কেতিয়াও পাহৰিব নোৱাৰি । সময়বোৰ পাৰ হৈ যায় , দিনবোৰ সলনি হৈ যায় , মানুহবোৰে নিজৰ নিজৰ বাটেৰে আগবাঢ়ি যায় ; কিন্তু সেই সময়বোৰত সংগ্ৰহ কৰা স্মৃতিবোৰ একে থাকে । মোৰ জীৱনৰ তেনে এক অমূল্য অধ্যায় হৈছে বাপুজী মহাবিদ্যালয়ত পঢ়ি অহা তিনি বছৰীয়া কলেজীয়া যাত্ৰা । তিনি বছৰ শুনিবলৈ হয়তো বৰ সৰু সময় এই তিনি বছৰতে আমি বিভিন্ন অভিজ্ঞতা লাভ কৰিলো ।

কলেজৰ সেই প্ৰথম দিনটো আজিও মনত সজীৱ হৈ আছে । নতুন মুখ ,নতুন শিক্ষাগুৰু আৰু নতুন বন্ধু - বান্ধৱী সকলোবোৰ নতুন , মনত বহুত আশা লৈ আমি বপুজী মহাবিদ্যালয়ত প্ৰৱেশ কৰিছিলোঁ । তেতিয়া ভৰা নাছিলো এদিন যে এই ঠাইখনে ইমান আপোন হৈ পৰিব । সময়ৰ লগতে অচিনাকি মুখবোৰ চিনাকি হৈ পৰিল । আৰু এতিয়া সেই দিনবোৰ আমাৰ বাবে এক মধুৰ স্মৃতি ।

কলেজ কেৱল এখন পঢ়া - শুনাৰ ঠাই নহয় , আমাৰ জীৱনৰ এক সুন্দৰ অধ্যায় , আমাৰ জীৱনৰ আটাইতকৈ ধুনীয়া স্মৃতিবোৰৰ এখন পৃষ্ঠা ।

কলেজৰ প্ৰতিটো কোণ, শ্ৰেণীকোঠা, কৰিডৰ, বন্ধু - বান্ধৱীৰ সৈতে কটোৱা হাঁহি - ধেমালি আৰু শিক্ষাগুৰু সকলৰ মৰম আৰু শাসন আজি ও আমাৰ মনত সজীৱ হৈ আছে । শিক্ষাগুৰু সকলৰ অৱদান আমি কেতিয়া ও পাহৰিব নোৱাৰোঁ ।তেওঁলোকে আমাক পাঠ্যপুথিৰ জ্ঞানৰ লগতে শৃংখলা , দায়িত্ববোধ ধৈয্য আৰু জীৱনৰ প্ৰতি ইতিবাচক দৃষ্টিভংগী ৰ বিষয়ে জ্ঞান দিছে । কেতিয়াবা কঠোৰ কথাই আমাক শুদ্ধ পথ দেখাইছে আৰু কেতিয়াবা তেওঁলোকৰ মৰম আৰু উৎসাহে আমাক নতুনকৈ আগবাঢ়িবলৈ সাহস দিছে । আমাৰ ভুল - ত্ৰুটিবোৰ ক্ষমা কৰি আৰু আমাৰ সপোনবোৰক উৎসা দি আগবাঢ়ি যোৱাত তেওঁলোকে যি অৱদান আগবঢ়াইছে তাৰ বাবে আমি তেওঁলোকৰ ওচৰত চিৰ কৃতজ্ঞ ।

বন্ধু - বান্ধৱী ৰ লগত কটোৱা অজস্ৰ স্মৃতিৰে ভৰা আমাৰ কলেজীয়া জীৱন , সময়ৰ সোঁতত আমি কলেজ খনৰ পৰা আঁতৰি আহিছোঁ যদিও কলেজৰ চৌহদখনৰ প্ৰতিটো কোণতে লুকাই আছে আমাৰ জীৱনৰ মিঠা কাহিনী ।

কলেজৰ সেই দিনবোৰ ঘূৰি নাহে , কিন্তু তাৰ মধুৰ স্মৃতিবোৰ আমাৰ মাজৰ পৰা কেতিয়াও হেৰাই নাযায় ।

জীৱনৰ সুন্দৰ অধ্যায়বোৰৰ ভিতৰত কলেজীয়া দিনবোৰ সদায় বিশেষ হৈ থাকিব ।

জয়তু বাপুজী মহাবিদ্যালয় ??

জয়তু অসমীয়া বিভাগ ??



## বাপুজী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সোণালী সুবাস

শ্ৰী পম্পী ডেকা
প্ৰাক্তন ছাত্ৰী (২০১৯-২০২১ বৰ্ষ)

সময়বোৰ কিমান খৰখেদাকৈ পাৰ হৈ যায়, ভাবিলে আচৰিত লাগে! ২০১৯ চনত অসীম আশা, কৌতুহল আৰু ভৱিষ্যতৰ ৰঙীন সপোন বুকুত বান্ধি বাপুজী মহাবিদ্যালয়, সৰুক্ষেত্ৰীৰ অসমীয়া বিভাগত অনাৰ্চ স্নাতকত নামভৰ্তি কৰিছিলোঁ। মহাবিদ্যালয়ৰ সেউজীয়া চৌহদটোত প্ৰথম ভৰি দিয়াৰ সেই বিশেষ দিনটো আজিও মনৰ মণিকুঠৰীত সজীৱ হৈ আছে। ২০১৯ চনৰ পৰা ২০২১ চনলৈ—এই সময়ছোৱা মোৰ জীৱনৰ আটাইতকৈ মধুৰ, অৰ্থপূৰ্ণ আৰু অবিস্মৰণীয় অধ্যায় আছিল।

বাপুজী মহাবিদ্যালয়ৰ অসমীয়া বিভাগটো কেৱল এখন পাঠদানৰ স্থানেই নাছিল, ই আছিল এক পৰিয়ালৰ দৰে। বিভাগটোৰ শ্ৰদ্ধেয় গুৰুসকলৰ অপত্য স্নেহ, অনুপ্ৰেৰণা আৰু গঠনমূলক দিক্‌দৰ্শনে আমাক কেৱল অসমীয়া সাহিত্যৰ গভীৰ ৰসাস্বাদনেই কৰোৱা নাছিল, বৰঞ্চ সংস্কাৰী আৰু সচেতন মানুহ হিচাপে গঢ়ি তোলাত অনন্য ভূমিকা লৈছিল। শ্ৰেণীকোঠাৰ সাহিত্যিক চৰ্চা, লাইব্ৰেৰীৰ পবিত্ৰ পৰিৱেশত কটোৱা সময়, অনাবিল হাঁহি-ধেমালি আৰু বন্ধু-বান্ধৱীসকলৰ সৈতে কটোৱা আড্ডাবোৰে আমাৰ শৈক্ষিক যাত্ৰাক সদায় মুখৰিত কৰি ৰাখিছিল।

২০২১ চনত স্নাতক ডিগ্ৰী সম্পূৰ্ণ কৰি যেতিয়া মহাবিদ্যালয়ৰ দেউৰী পাৰ হৈ বিদায় লৈছিলোঁ, চকুত আছিল বিদায়ৰ অশ্ৰু আৰু বুকুত আছিল স্মৃতিৰ এমুঠি সোণালী মুকুতা। সময়ৰ গতিত মহাবিদ্যালয় এৰি নিজ নিজ কৰ্মক্ষেত্ৰ বা নতুন পথত অগ্ৰসৰ হ'লোঁ যদিও, বাপুজী মহাবিদ্যালয় আৰু আমাৰ বিভাগটোৰ লগত থকা আত্মিক বান্ধোনটো কেতিয়াও শিথিল হোৱা নাই।

অলপতে আমাৰ প্ৰিয় অসমীয়া বিভাগৰ উদ্যোগত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ এক সুন্দৰ অনুষ্ঠান আয়োজন হোৱাৰ খবৰে মনটো এক অনাবিল আনন্দেৰে ওপচাই তুলিছে। আকৌ এবাৰ সেই সোণালী দিনবোৰলৈ ঘূৰি যোৱাৰ, পুৰণি সতীৰ্থসকলক কাষত পোৱাৰ আৰু শ্ৰদ্ধাৰ শিক্ষকসকলৰ আশীৰ্বাদ লভাৰ এই সুযোগ সঁচাকৈয়ে বিশেষ।

এই মেগাজিনখনিৰ জৰিয়তে মোৰ সকলো শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰীলৈ ভক্তিপূৰ্ণ সেৱা আৰু সতীৰ্থসকললৈ হিয়াভৰা মৰম আৰু শুভেচ্ছা জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয়খনৰ জ্ঞানৰ পোহৰ এনেদৰেই যুগ যুগলৈ বিচ্ছুৰিত হৈ থাকক, তাকেই কামনা কৰিলোঁ।

জয়তু, বাপুজী মহাবিদ্যালয়!



## কলেজীয়া স্মৃতি: এটি আৱেগিক অন

শ্ৰী সুস্মিতা ডেকা
প্ৰাক্তন ছাত্ৰী (২০২১-২০২৪)

ক'ৰ পৰা আৰু কেনেকৈ আৰম্ভ কৰোঁ— সেইবোৰ ভাবি ভাবিয়েই আজি এই কথাবোৰ লিখিবলৈ ওলাইছোঁ। আচলতে কলেজীয়া স্মৃতি বুলি ক'লে মনলৈ বহু কথাই আহে। কিন্তু সকলোবোৰ জানো লিখি প্ৰকাশ কৰিব পাৰি? কিছুমান কথা এনেকুৱা থাকে, যাক শব্দৰে বুজাব নোৱাৰি; সেইবোৰ মাত্ৰ মনৰ কোণত চিৰসেউজ স্মৃতি হৈ ৰৈ যায়। সৌ-সিদিনা যেন হে কলেজীয়া জীৱনটো আৰম্ভ হৈছিল! কেনেকৈ যে তিনিটা বছৰ পাৰ হৈ শেষ হৈ গ'ল, গমেই নাপালোঁ।
ছাৰ-মেডামসকলৰ শাসনৰ মাজত থকা মৰম আৰু বন্ধু-বান্ধৱীৰ সৈতে কৰা দুষ্টামিবোৰ যেন আজি হেৰাই গ'ল। বৰ্তমান আমি সকলো নিজৰ নিজৰ জীৱনক লৈ ব্যস্ত, কিন্তু যেতিয়াই সেই পুৰণি দিনবোৰ মনত পৰে, আকৌ এবাৰ সেই সোণালী দিনবোৰলৈ ঘূৰি যাবলৈ মন ব্যাকুল হৈ পৰে। মই ভাবো, স্নাতক পৰ্যায়ত অসমীয়াত মেজৰ (Major) লোৱাটো মোৰ জীৱনৰ এটা আটাইতকৈ ভাল সিদ্ধান্ত আছিল। কাৰণ ইয়াৰ ফলতেই মই অসমীয়া ভাষা আৰু সাহিত্যক অতি ওচৰৰ পৰা জনাৰ আৰু বুজি পোৱাৰ এক সুযোগ লাভ কৰিলোঁ।

এইখিনিতে মই মোৰ কলেজীয়া জীৱনৰ এটা বিশেষ স্মৰণীয় ঘটনা উল্লেখ কৰিব বিচাৰিছোঁ। তেতিয়া আমাৰ মহাবিদ্যালয়খনৰ ”সোণালী জয়ন্তী” বৰ্ষ উদযাপন চলি আছিল। উৎসৱৰ মূল আকৰ্ষণ আছিল অসমৰ বিশিষ্ট সংগীত শিল্পী জুবিন গাৰ্গ ডাঙৰীয়া। তেখেতক সন্মুখৰ পৰা চোৱাৰ মোৰ বৰ হেঁপাহ আছিল। সেই সময়ত মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰিছিল।ময়ো নৃত্য আৰু সমবেত সংগীত আদিত ভাগ লৈছিলোঁ। আমাৰ মহাবিদ্যালয়ৰ মূল কাৰ্যসূচী আছিল ১৮, ১৯ আৰু ২০ তাৰিখে। আমি সকলোৱে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছিলোঁ। কিন্তু দুৰ্ভাগ্যবশতঃ, ১১ তাৰিখে কলেজৰ পৰা ঘৰলৈ গৈ থকা অৱস্থাত মই এটা পথ দুৰ্ঘটনাৰ সন্মুখীন হ'লোঁ। দুৰ্ঘটনাটোৰ ফলত মোৰ ভৰি এখন ভাঙি থাকিল। সেই আনন্দৰ মুহূৰ্তত হঠাতে ঘটা এই অঘটনটোৱে মোৰ মনত যে কিমান গভীৰ দুখ দিছিল, তাক মই ভাষাৰে বুজাব নোৱাৰোঁ।

এনেদৰেই হাঁহি-কান্দোন, সুখ-দুখৰ মাজেৰে তিনিটা বছৰ কেনেকৈ পাৰ হৈ গ'ল, আমি গমেই নাপালোঁ। তাৰ পিছত এদিন সেই বিদায়ৰ শেষ দিনটোও আহি পালেহি; যিটো দিন আছিল মধুৰ স্মৃতিৰে ভৰা এটি অত্যন্ত আৱেগিক মুহূৰ্ত।

জয়তু বাপুজী মহাবিদ্যালয়!
জয়তু অসমীয়া বিভাগ!



**গৰিমা ডেকা**
**(২০১৭--২০২০ বৰ্ষ)**

জীৱনৰ বাটত বহু ঠাইলৈ যাত্ৰা কৰিলেও কিছুমান ঠাই হৃদয়ৰ পৰা কেতিয়াও আতৰি নাযায় । মোৰ কলেজখনো তেনে এখন ঠাই য'ত মোৰ জীৱনৰ বহুতো মধুৰ স্মৃতি জড়িত হৈ আছে । কলেজখনৰ প্ৰতিটো কোণ , প্ৰতিটো পথ , প্ৰতিটো শ্ৰেণীকোঠাৰ সৈতে জড়িত হৈ আছে মোৰ জীৱনৰ সোণালী দিনবোৰ ।

হাইস্কুল শিক্ষান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈ মই বাপুজী মহাবিদ্যালয়ৰ অসমীয়া বিভাগত নামভৰ্তি কৰিছিলো । প্ৰথম দিনাৰ পৰাই ছাৰ- বাইদেউ সকলৰ পৰা পোৱা মৰম আৰু গুৰুত্বই তেওঁলোকৰ প্ৰতি মোৰ মনত এক আপোনত্ব ভাব আৰু বিশেষ শ্ৰদ্ধা গঢ়ি উঠিছিল । অসমীয়া বিভাগটো মোৰ কলেজীয়া জীৱনৰ আটাইতকৈ আপোন ঠাইবোৰৰ ভিতৰত এখন । অসমীয়া ভাষা-সাহিত্যৰ পাঠৰ মাজেৰে আমি কেৱল জ্ঞানেই আহৰণ কৰা নাছিলো , জীৱনক অনুভৱ কৰিবলৈও শিকিছিলো ।

কলেজখন মোৰ বাবে কেৱল এক শিক্ষানুষ্ঠানেই নহয় , ই মোৰ জীৱনৰ এক অবিচ্ছেদ্য অংশ । এইখন কলেজৰ চৌহদতে মই কেৱল শিক্ষা লাভ কৰা নাছিলো , জীৱনক বুজিবলৈ শিকিছিলো , বন্ধুত্বৰ অৰ্থ অনুভৱ কৰিছিলো আৰু বহুতো ধুনীয়া ধুনীয়া মুহূৰ্তৰ সাক্ষী হৈছিলো । আজিও বন্ধু- বান্ধৱী আৰু ছাৰ- বাইদেউ সকলৰ কথা মনত পৰিলে অজানিতে বুকুখনত শোকে খুন্দা মাৰি ধৰে । বন্ধু- বান্ধৱীৰ সৈতে কটোৱা সেই নিৰ্ভেজাল সময় , একেলগে কৰা হাঁহি ধেমালি , শ্ৰেণীকোঠাৰ সৰু সৰু কথাবোৰ, সকলোবোৰ যেন কালি ঘটনাহে । তেতিয়া কেতিয়াও ভবা নাছিলো যে এদিন এই সাধাৰণ মুহূৰ্তবোৰেই মোৰ আটাইতকৈ প্ৰিয় স্মৃতি হৈ পৰিব ।

শেষত মাথো এয়াই ক'ব বিচাৰো - কলেজখন আৰু অসমীয়া বিভাগটো এৰি আহিলেও তাৰ সৈতে জড়িত স্মৃতিবোৰ পাহৰি যাব নোৱাৰো । সময়ে আমাক কলেজখনৰ পৰা আতৰাই লৈ গলেও সেই দিনবোৰৰ হাঁহি- ধেমালি, আপোনত্ব আৰু ছাৰ-বাইদেউ সকলৰ মৰমবোৰ আমাৰ হৃদয়ত চিৰদিনৰ বাবে চিৰস্থায়ী হৈ থাকিব । য'তেই নাথাকোঁ কিয় বাপুজী মহাবিদ্যালয়ৰ ছাত্ৰী বুলি ক'বলৈ আমি গৌৰৱ অনুভৱ কৰো ।

" জয়তু বাপুজী মহাবিদ্যালয় "

"জয়তু অসমীয়া বিভাগ" ।



## সোঁৰণীৰ পাতত বাপুজী মহাবিদ্যালয়

**কমল ভূএগ্ৰা**
**২০১৫-১৮ বৰ্ষ**

জীৱনৰ ৰংবোৰ এখোজ-দুখোজকৈ আগুৱাই নিবলৈ ২০১৫ চনৰ ২৫ মে’ তাৰিখে স্নাতক ডিগ্ৰী লাভৰ উদ্দেশ্যে প্ৰথমবাৰৰ বাবে বাপুজী মহাবিদ্যালয়ৰ জ্ঞানৰ মন্দিৰত ভৰি দিছিলোঁ। জুন মাহত সাধাৰণ নামভৰ্তি সম্পূৰ্ণ কৰি অসমীয়া বিষয়ত অনাৰ্চ লৈ পঢ়িম বুলি মনতে থিৰাং কৰিছিলোঁ। সেই সময়ত মহাবিদ্যালয়খনৰ কোনো শিক্ষক-শিক্ষয়িত্ৰীকে ভালদৰে চিনি পোৱা নাছিলোঁ।

পৰিয়ালৰ পৰা পৰম শ্ৰদ্ধাৰ **পৰেশ ভূএগ্ৰা ছাৰৰ** বিষয়ে জানি তেওঁক লগ কৰিবলৈ গৈছিলোঁ। কিন্তু ভুলতে অৱসৰপ্ৰাপ্ত অধ্যাপক **ড০ প্ৰভাত শৰ্মা ছাৰ**ক ভূএগ্ৰা ছাৰ বুলি ভাবি নিজৰ মনৰ কথাবোৰ কৈছিলোঁ। শৰ্মা ছাৰে মৰমেৰে মোৰ কথা শুনি তেওঁ অৰ্থনীতি বিভাগৰ অধ্যাপক বুলি জনাই মোক ভূএগ্ৰা ছাৰৰ সৈতে চিনাকি কৰাই দিছিল। সেইদিনা শৰ্মা ছাৰে দিয়া মৰম আৰু পৰামৰ্শ আজিও মনত সজীৱ হৈ আছে।

ভূএগ্ৰা ছাৰৰ সৈতে প্ৰথম সাক্ষাতৰ পৰাই তেওঁৰ পিতৃ-মাতৃসুলভ মৰম, আন্তৰিকতা আৰু মধুৰ কথাই মোক গভীৰভাৱে আকৰ্ষিত কৰিছিল। তাৰ পিছত বিভাগীয় বাচনি পৰীক্ষাত অৱতীৰ্ণ হৈ অসমীয়া বিভাগৰ নিয়মীয়া ছাত্ৰ হিচাপে নামভৰ্তি লাভ কৰিলোঁ।

সেই সময়ত বিভাগটোৰ শিক্ষক-শিক্ষয়িত্ৰীসকল আছিল—**পৰেশ ভূএগ্ৰা ছাৰ**, বিভাগীয় মুৰব্বী; **ধঞ্জিত ডেকা ছাৰ**, সহকাৰী অধ্যাপক; **বিপুল ডেকা ছাৰ**, সহকাৰী অধ্যাপক; **মালামনি দাস বাইদেউ**, সহকাৰী অধ্যাপিকা; **প্ৰিয়ংকা ভূএগ্ৰা বাইদেউ**, সহকাৰী অধ্যাপিকা আৰু Part-time শিক্ষক **পম্পী ডেকা বাইদেউ।** প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ নিজস্ব শিক্ষাদানৰ শৈলী আছিল। তেওঁলোকৰ সৰলতা, মৰম আৰু জ্ঞানৰ পৰা বহু কথা শিকিবলৈ পাইছিলোঁ।

ভূএগ্ৰা ছাৰৰ ক্লাছৰ সৰল আৰু মনোগ্ৰাহী উপস্থাপন, ধঞ্জিত ডেকা ছাৰৰ অনন্য প্ৰকাশভংগী, বিপুল ডেকা ছাৰৰ মূল কথাক সাৰাংশত উপস্থাপনৰ দক্ষতা, মালামনি দাস বাইদেউৰ স্নেহভৰা শিক্ষাদান আৰু প্ৰিয়ংকা বাইদেউৰ সহজ-সৰল বুজাব পৰা শৈলী আজিও স্মৃতিত অমলিন। ছাত্ৰ জীৱনৰ বিভিন্ন সময়ত মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা, শংকৰদেৱ-মাধৱদেৱৰ তিথি পালন, বনভোজ, নৱাগত আদৰণি সভা আদি বিভিন্ন অনুষ্ঠানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ সুযোগ পাইছিলোঁ। মহাবিদ্যালয়ৰ নিৰ্বাচনত সহপাঠীসকলৰ উৎসাহ আৰু সহযোগিতাত **সভাপতি** হিচাপে দায়িত্ব গ্ৰহণ কৰি ছাত্ৰ সমাজৰ সেৱা কৰাৰ সুযোগো লাভ কৰিছিলোঁ।

বিশেষকৈ খাৰুথা গাঁৱৰ বুঢ়াদিয়া নদীৰ পাৰত সহপাঠীসকলৰ সৈতে কৰা বনভোজৰ স্মৃতি আজিও মনত সজীৱ। হাঁহি-ধেমালি, গান, নৃত্য আৰু একেলগে ভাতসাজ খোৱাৰ সেই সোণালী দিনবোৰ ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি। শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মৰম আৰু সহপাঠীসকলৰ বন্ধুত্বই সেই সময়ছোৱাক মোৰ জীৱনৰ এক অমূল্য অধ্যায় কৰি তুলিছিল।

শেষৰ যান্মাসিকত ভৰি দিয়াৰ লগে লগে বিদায়ৰ অনুভূতিয়ে মনটো ভাৱাক্ৰান্ত কৰি তুলিছিল। তাৰ মাজতে ভূএগ্ৰা ছাৰৰ ঘৰত আয়োজন কৰা অন্তিম লগভাতৰ স্মৃতি বিশেষভাৱে উল্লেখযোগ্য। সকলোৱে মিলি বিহু মাৰিলোঁ, গান গালোঁ, নাচিলোঁ আৰু আনন্দ কৰিলোঁ। সেইদিনা ভূএগ্ৰা ছাৰে নিজ খৰচত আমাৰ বাবে জুছ আনি দিছিল। আজিও সেই মৰমৰ স্মৃতিয়ে মনটো আৱেগিক কৰি তোলে।

**জয়তু বাপুজী মহাবিদ্যালয়, সৰুক্ষেত্ৰী।**



## স্মৃতিৰ পাতত বাপুজী মহাবিদ্যালয়—মোৰ এক সোণালী অধ্যায় ❤️

**লিনা বৰ্মন**

**অসমীয়া বিভাগ । স্নাতক, ২০২০**

জীৱনৰ কিছুমান সময় পাৰ হৈ যায়, কিন্তু সেই সময়ৰ সৈতে জড়িত স্মৃতিবোৰ কেতিয়াও পুৰণি নহয়। সময় যিমানেই পাৰ হয়, সেই স্মৃতিবোৰ সিমানেই আপোন হৈ পৰে। মোৰ বাবেও তেনে এক অমূল্য স্মৃতিৰ নাম—বাপুজী মহাবিদ্যালয়। ❤️

উচ্চশিক্ষাৰ সপোন বুকুত লৈ প্ৰথমবাৰৰ বাবে যেতিয়া বাপুজী মহাবিদ্যালয়ৰ বাকৰিত ভৰি দিছিলোঁ, মনত আছিল বহু সপোন, নতুন কিবা শিকাৰ হেঁপাহ আৰু এখন নতুন জগতক নিজৰ কৰি লোৱাৰ কৌতূহল। লাহে লাহে সেই অচিনাকি ঠাইখনেই মোৰ আটাইতকৈ চিনাকি আৰু আপোন হৈ পৰিল।

অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰতি থকা আগ্ৰহে মোক অসমীয়া বিভাগলৈ লৈ গৈছিল। এই বিভাগত কটোৱা দিনবোৰে মোক কেৱল কিতাপৰ জ্ঞানেই দিয়া নাছিল; ভাষা, সাহিত্য, সংস্কৃতি আৰু নিজৰ শিপাৰ সৈতে গভীৰভাৱে চিনাকি কৰাই দিছিল।

আমাৰ কোনো এটা স্থায়ী শ্ৰেণীকোঠা নাছিল। কিন্তু ৯ নম্বৰ কোঠাটো যেন আমাৰ নিজৰ কোঠাৰ দৰেই হৈ পৰিছিল। প্ৰায় প্ৰতিদিনেই তাতেই ক্লাছ হৈছিল। কেতিয়াবা ইমান দৌৰা-দৌৰি হৈছিল যে ৰুটিন চাবলৈও সময় নাছিল; সেয়ে কেতিয়াবা পোনে পোনে ৯ নম্বৰ কোঠালৈ সোমাই গৈছিলোঁ। আজি ভাবিলে সেই সৰু সৰু কথাবোৰেই কিমান আপোন স্মৃতি হৈ পৰিছে! ❤️

৯ নম্বৰ কোঠাটোৰ সৈতে মোৰ বহু স্মৃতি জড়িত হৈ আছে। সেই কোঠাত বহি পঢ়া, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পৰা শিকা, সহপাঠীসকলৰ সৈতে হাঁহি-আড্ডা—সকলোবোৰেই এতিয়া অতীতৰ একো একোটা সুন্দৰ ছবি।

আমাৰ সন্মানীয় শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পৰা পোৱা মৰম, শাসন, পৰামৰ্শ আৰু সহায়ৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰিম। জীৱনৰ বহু কথাই তেওঁলোকৰ পৰা শিকিছোঁ। তেওঁলোকৰ সহায় আৰু উৎসাহে মোক আগবাঢ়ি যাবলৈ বহু সাহস দিছিল। ❤️

কেতিয়াবা ভাবোঁ, কলেজীয়া জীৱনটো সঁচাকৈয়ে কিমান সোনকালে পাৰ হৈ গ'ল! সেই সময়ত ভাবিছিলোঁ—"আৰু বহু সময় আছে।" কিন্তু আজি ঘূৰি চালে সেই দিনবোৰেই আটাইতকৈ বেছি মনত পৰে।

২০২০ চনত অসমীয়া বিভাগৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰাৰ দিনটো মোৰ জীৱনৰ এটা বিশেষ অধ্যায়ৰ সমাপ্তি আছিল। কিন্তু সেই অধ্যায়ৰ স্মৃতি আজিও মোৰ লগত আছে।

বাপুজী মহাবিদ্যালয় মোৰ বাবে কেৱল এখন শিক্ষানুষ্ঠান নহয়—ই মোৰ জীৱনৰ এটা সুন্দৰ অধ্যায়, অগণন স্মৃতিৰ ঠিকনা আৰু মোৰ হৃদয়ৰ এক আপোন অংশ। ❤️

সেই সোণালী দিনবোৰৰ বাবে, ৯ নম্বৰ কোঠাটোৰ সেই আপোন স্মৃতিবোৰৰ বাবে, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মৰম আৰু সহায়ৰ বাবে, আৰু জীৱন গঢ়াৰ সেই সুন্দৰ সময়খিনিৰ বাবে—

বাপুজী মহাবিদ্যালয়ৰ ওচৰত সদায় চিৰকৃতজ্ঞ হৈ ৰ'ম। ❤️

জয়াতু বাপুজী মহাবিদ্যালয় ❤️

জয়াতু অসমীয়া বিভাগ ❤️

স্মৃতিবোৰ সদায় এনেকৈয়ে জীয়াই থাকক...



## অসমীয়া বিভাগৰ সোণালী দিনৰ একাঁজলি অনুভৱ

**শ্ৰীপিংকি ডেকা**
**অসমীয়া বিভাগ (২০১৯-২০২১)**

২০১৯ চনৰ এক অনাবিল আশাকুৰীয়া পুৱাত বুকুভৰা হেঁপাহেৰে বাপুজী মহাবিদ্যালয়, সৰুক্ষেত্ৰীৰ অসমীয়া বিভাগত অনাৰ্চ স্নাতকত নামভৰ্তি কৰিছিলোঁ। মাতৃভাষা আৰু সাহিত্যৰ গভীৰ অৰণ্যত জ্ঞানৰ সন্ধান কৰাৰ সেই যাত্ৰা মোৰ জীৱনৰ এক অন্যতম সুন্দৰ অধ্যায় আছিল। মহাবিদ্যালয়খনৰ সেউজ পৰিবেশ, শ্ৰেণীকোঠাৰ সাহিত্য চৰ্চাৰ গুঞ্জৰণ আৰু শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ স্নেহাশীষে প্ৰথম দিনটোৰ পৰাই মোক আত্মবিশ্বাস আৰু নতুন চিন্তাৰ খোৰাক যোগাইছিল।

২০১৯ চনৰ পৰা ২০২১ চনলৈ— এই সময়ছোৱা কেৱল এখন ডিগ্ৰী অৰ্জনৰ বাবে পুথিৰ পৃষ্ঠা উলিওৱাৰ সময় নাছিল, আছিল নিজৰ ব্যক্তিত্ব গঢ়াৰ আৰু জীৱনটোক সাহিত্যৰ পোহৰেৰে চহকী কৰাৰ এক সোণালী সুযোগ। আমাৰ শ্ৰদ্ধাৰ গুৰুসকলৰ সৰল অথচ গভীৰ শিক্ষাদান শৈলী, আমাক সদায় আগুৱাই যাবলৈ দিয়া উৎসাহ আৰু সহপাঠীসকলৰ সৈতে একালত পাৰ কৰা সোণালী মুহূৰ্তবোৰে মোৰ শিক্ষাৰ ভেটি মজবুত কৰি তুলিছিল। ২০২১ চনত স্নাতক সমাপ্ত কৰি মহাবিদ্যালয়ৰ দেওনা পাৰ হৈ বিদায় লৈছিলোঁ যদিও, অসমীয়া বিভাগটোৰ স্মৃতি আৰু তাৰ পৰা পোৱা মূল্যবোধ আজিও মোৰ হিয়াৰ মাজত সজীৱ হৈ আছে।

আজি যেতিয়া আমাৰ প্ৰিয় অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহখনি অনুষ্ঠিত হ'বলৈ গৈ আছে আৰু এই উপলক্ষে স্মৃতিগ্ৰন্থখন প্ৰকাশ পাইছে, মোৰ বুকুখন এক অনাবিল আনন্দ আৰু গৰ্বেৰে ভৰি পৰিছে। এই অনুষ্ঠানটি কেৱল অতীতৰ সহপাঠীসকলৰ পুনৰ মিলনৰ মঞ্চই নহয়, ই হ'ব আমাক বাট দেখুওৱা আই-মাতৃ স্বৰূপা মহাবিদ্যালয়খন আৰু বিভাগটোলৈ আমাৰ হৃদয়ৰ অকৃত্ৰিম প্ৰণাম জনায় এক পৱিত্ৰ মূহূৰ্ত।

মোৰ সৰ্বাঙ্গীন বিকাশৰ বাবে বাপুজী মহাবিদ্যালয় আৰু অসমীয়া বিভাগে দিয়া স্থান মই সমগ্ৰ জীৱন বুকুৰ কোণত জীয়াই ৰাখিম। সমাৰোহখনিৰ সাফল্য কামনা কৰাৰ লগতে মহাবিদ্যালয়খনে যেন জ্ঞানৰ পোহৰ বিলাই যুগ যুগ ধৰি নতুন প্ৰজন্মক দিকদৰ্শন কৰাই থাকে, তাৰেই আন্তৰিক প্ৰাৰ্থনা জনালোঁ।

বাপুজী মহাবিদ্যালয়, সৰুক্ষেত্ৰী

জয়তু, বাপুজী মহাবিদ্যালয়।



দুলুমনি বৰ্মন
২০০২- ২০০৫ ইং বৰ্ষ

**সেয়াই** আছিল আৰম্ভণি। ডাঙৰ হোৱাৰ আৰম্ভণি । ডাঙৰ হোৱাৰ ভাব এটাই গা- মন জোকাৰি গৈছিল। ২০০০ ইংৰাজী বৰ্ষৰ জুন মাহৰ কোনো এটি ৰাতিপুৱা শাৰী পিন্ধি সাজি কাচি ওলাইছিলো উদ্দেশ্য বাপুজী মহাবিদ্যালয়। হয় সেয়াই আৰম্ভণি কলেজীয়া জীৱনৰ। অকলে গৈছিলো কোনো লগ বন্ধু নোহোৱাকৈ ( অৱশ্যে তাত গৈ পোৱাৰ পিছত বহুতো বন্ধু লগ পাইছিলো) । সুদূৰ ১২ কিলোমিটাৰৰ ওখোৰা মোখোৰা বাট চাইকেলেৰে গৈও কোনোদিনে ভাগৰ অনুভৱ কৰা নাছিলো।এক বিশাল জনসমুদ্ৰৰ মাজত লক্ষ্যহীনভাৱে নিজকে হেৰুৱাই পেলালো । কোনো চাৰ বাইদেৱে চিনি নাপালে দুলুমনি নামৰ তেখেতসকলৰ যে এজনী ছাত্ৰীও আছে। এই দুটা বছৰত ডাঙৰহে হলো দায়িত্ব হ'লে বুজি নাপালো। ২০০২ ইংৰাজী বৰ্ষত অসমীয়াত মেজৰ ললো আৰু ইয়েই যেন জীৱনৰ টাৰ্ণিং পইণ্ট হ'ল। চাৰ বাইদেউ সকলে নাম কাঢ়ি মাতিবলৈ ললে। তেখেতসকলৰ মৰম আৰু আস্থাই যেন জীৱনটোক নতুনকৈ সজাবলৈ শিকালে। বিশেষকৈ ঁপৰেশ ভুঞা চাৰ , চাৰুপ্ৰসাদ শৰ্মা চাৰ ঁঅঞ্জনকুমাৰ দত্ত চাৰ আৰু কুসুম দেৱী বাইদেউৰ এইছেগতে শলাগ ললো । কলেজলৈ অহাৰ উদ্দেশ্য সলনি হ'ল গম নোপোৱাকৈয়ে চাৰ বাইদেউৰ প্ৰিয় ছাত্ৰী হৈ পৰিলো। ২০০৪ ইংৰাজী বৰ্ষৰ কোনোবা এটা দিনত অসমীয়া বিভাগত নতুনকৈ চাৰ এজন আহিব বুলি শুনিলো। আমাৰ সন্মানীয় ধঞ্জিত ডেকা চাৰ আহিল কলেজলৈ নতুনকৈ ন উদ্যমেৰে। চাৰে সকলোৰে পৰিচয় ললে অথচ কিয় জানো প্ৰতিদিনে কিবা কবলগীয়া থাকিলে মোৰ নামকাঢ়ি কয় । লগৰবোৰেও গালি পাৰে চাৰে তোকহে চিনি পায় বুলি। কিন্তু মই হলে দুগুণ উৎসাহ পালো নতুন চাৰৰো প্ৰিয় ছাত্ৰী হৈ গলো যে( আজিও কিন্তু মই চাৰৰ প্ৰিয় ছাত্ৰী)। চাৰে অকল পাঠ শিকোৱাই নহয় লেখা মেলা কৰাৰ ওপৰতো উৎসাহ যোগালে। কবিতা, গল্প , প্ৰৱন্ধ লিখাৰ উৎসাহ দিলে। আলোচনী উলিয়ালে, চেমিনাৰ পাতিলে , সকলোতে ভাগ ললো। লক্ষ্য নথকা মইজনীয়ে এম. এ. পঢ়াৰো সংকল্প ললো ।ডেকা চাৰে শিকালে শিক্ষকসকলো যে বন্ধু হব পাৰে। চাৰৰ আদৰ্শৰে আগুৱাই গৈ আজি মই এগৰাকী শিক্ষয়িত্ৰী যাক ছাত্ৰ ছাত্ৰীয়ে ভাল পায় মনৰ কথা খুলি কবলৈ অকনো সংকোচ নকৰে। ময়ো মোৰ ছাত্ৰ ছাত্ৰীসকলক দিব বিচাৰিছো চাৰৰ দৰেই এক বন্ধুত্বসুলভ শিক্ষা যত ভয় নাথাকে থাকে মাথো মৰম আৰু উৎসাহ......

*******************************************************************************

স্মৃতিৰ পাপৰি

# অসমীয়া বিভাগ

## আমাৰ প্ৰকাশন


















# অসমীয়া বিভাগ

## আমাৰ গৌৰৱ

- হিমাশ্ৰী ডেকা, অসমীয়া বিভাগৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত ১০ম স্থান
- প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাত ১ম স্থান
- সাংস্কৃতিক শোভাযাত্ৰা প্ৰতিযোগিতাত ১ম স্থান
- মহাবিদ্যালয়ে অনুষ্ঠিত কৰা বাণিজ্য মেলা প্ৰতিযোগিতাত ১ম স্থান











# অসমীয়া বিভাগ

## আমাৰ আনন্দ














# ধন্যবাদ